প্ৰবন্ধ

# আধুনিক বিশ্বত শেলাইৰ গুৰুত্ব

□ শ্ৰীদ্বীপজ্যোতি বড়ো
স্নাতক ১ম বাৰ্ষিক ( বিজ্ঞান শাখা )

উদ্ভিদ জগতৰ ভিতৰত আটাইতকৈ নিম্নখাপৰ উদ্ভিদবোৰেই হ'ল শেলাই আৰু ভেঁকুৰ।এই শেলাই আৰু ভেঁকুৰ দুয়োটাৰে উপকাৰী আৰু অপকাৰী দিশত উল্লেখযোগ্য ভূমিকা আছে। ইহঁত গঠনত সৰল যদিও দেহকোষত হৰিৎকনা থকা বাবে নিজৰ আহাৰ তৈয়াৰ কৰিব পাৰে। স্থলভাগত থকা বিভিন্ন উদ্ভিদৰ ওপৰত জীৱজগত যিদৰে নিৰ্ভৰশীল, জলজ জীৱ-জন্তু সমূহেও পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে শেলাইৰ ওপৰত নিৰ্ভৰ কৰি থাকে। জলজ জীৱৰ শ্বাস-প্ৰশ্বাসত উৎপন্ন হোৱা কাৰ্বন-ডাইঅক্সাইড গেছ সালোক সংশ্লেষনত শেলায়ে গ্ৰহণ কৰে। আনহাতে শেলায়ে এৰি দিয়া অক্সিজেন গেছ জলজ প্ৰাণীবোৰে গ্ৰহণ কৰে। ইয়াৰ উপৰিও জান-জুৰি,নদ-নদী, হ্ৰদ-সাগৰ আদিত বাস কৰা শেলাইবোৰ বিভিন্ন মাছবোৰৰ খাদ্য।

দৈনন্দিন জীৱনৰ বহুতো ব্যৱহাৰ্য্য বয়-বস্তু কিছুমান সাগৰীয় শেলাইৰ পৰা তৈয়াৰ কৰিব পাৰি। সাগৰীয় শেলাইৰ পৰা আমাৰ অতি প্ৰয়োজনীয় খাদ্য আৰু লাগতিয়াল বস্তুও তৈয়াৰ কৰিব পাৰি। সাগৰীয় শেলাইৰ পৰা পায়সো প্ৰস্তুত কৰিব পাৰি। পশ্চিম ইউৰোপত বহুলভাৱে প্ৰচলিত " Blanemages " নামৰ খাদ্য " আইৰিছ মচ্" নামৰ সামুদ্ৰিক শেলাইবিধ গাখীৰত সিজাই প্ৰস্তুত কৰিব পাৰি। উন্নত দেশবোৰে সামুদ্ৰিক শেলাইবিলাকক বৈজ্ঞানিক পদ্ধতিৰে বিভিন্ন কাৰ্য্যত ব্যৱহাৰ কৰি আহিছে। যাৰ ফলত তেওঁলোকে সামুদ্ৰিক শেলাইবোৰৰ পৰা উত্তম খাদ্য প্ৰস্তুত কৰি পুষ্টিহীনতাৰ পৰা আঁতৰিব পাৰিছে। আমেৰিকা বাসীৰ প্ৰিয় খাদ্য "চিত্ৰন" " নেৰিও চিস্টিন" নামৰ শেলাইবিধৰ পৰা তৈয়াৰ কৰি আহিছে। আন হাতে জাপানীসকলৰ প্ৰিয়খাদ্য " কম্বু" তৈয়াৰ কৰা হয়। " লেমিন নেৰিয়া" নাম ৰ শেলাইৰ পৰা। বিভিন্ন সামুদ্ৰিক শেলাইৰ পৰা মানুহে প্ৰয়োজনীয় শ্বেতসাৰ, ভিটামিন A,C,D,E পোৱা যায়। কিছুমান সাগৰীয় শেলাইত যথেষ্ট পৰিমানে ভিটামিন থকাৰ উপৰিও আয়দিন থাকে। কিছুমান সামুদ্ৰিক শেলাই মানুহৰ উপৰিও ভেড়া,গৰু-ছাগলীৰ প্ৰিয় খাদ্য। সেয়েহে স্কটলেণ্ড, আয়াৰলেণ্ড আদি ঠাইবোৰত নিম্ন জোৱাৰৰ সময়ত সামুদ্ৰিক বন খাবলৈ প্ৰাণীবোৰে সাগৰৰ পাৰলৈ ঢাপলি মেলে।

প্ৰাচীন কালৰে পৰা চীনা সকলে বিভিন্ন ঔষধ সামুদ্ৰিক শেলাইৰ পৰা তৈয়াৰ কৰি আহিছে। বৰ্তমান আধুনিক বিশ্বত শেলাইবোৰৰ পৰা বিভিন্ন ৰোগৰ ঔষধ তৈয়াৰ কৰিব পাৰিছে। চীনা সকলে ডিঙিৰ "গৰল" আৰু গ্ৰেড" অসুখত "লেমিনেৰিয়া " নামৰ শেলাই ব্যৱহাৰ কৰি আহিছে। অতি সৰল দেহৰ এক শ্ৰেণীৰ শেলাই হ'ল 'নীলহৰিৎ শেলাই'। এই শ্ৰেণীৰ শেলাই কিছুমান মাটিত থাকে আৰু ইহঁতৰে কিছুমান বায়ুমণ্ডলত থাকে ।ইহঁতে বায়ুমণ্ডলত থকা নাইট্ৰজেন গেছ ধৰি ৰাখিব পাৰে। এনে শেলাইবোৰে মাটিৰ উৰ্বৰ শক্তি বঢ়ায়। ইয়াৰ উপৰিও সামুদ্ৰিক শেলাইবোৰত যথেষ্ট পৰিমাণে পটাছ থাকে। ইয়াক চীনা সকলে সাৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। এই বিলাকৰ উপৰিও বিভিন্ন উদ্যোগিক সা-সৰঞ্জাম, পলিচ্ আদি কামত শেলাই ব্যৱহাৰ কৰি আহিছে। ' লেমিনেৰিয়া' , 'ফিউকাচ্' ,'মেক্রচিষ্টি', ' ছাৰগাছাম' আদি সামুদ্ৰিক শেলাইৰ পৰা ' এল'জিন' প্ৰস্তুত কৰিব পাৰি। অ'টমবাইল পলিচ্, আইচ্ক্ৰিম ফেক্টৰী, ৰবৰ উদ্যোগ, পেইণ্ট, কাপোৰত বং দিয়া ইত্যাদি উল্লেখযোগ্য কামবোৰত এল'জিন ব্যৱহাৰ কৰি উন্নতিৰ শীখৰত উপনিত হ'ব পাৰিছে। ' জেলিডিয়াম টেৰক্ৰেডিয়া ' , 'গ্ৰেছিলেৰিয়া' আদি শেলাই উতলাই চেঁচা কৰি শুকান জেলি সদৃশ ' অগাৰ অগাৰ' প্ৰস্তুত কৰা হয় । আজিকালি পৃথিৱীৰ প্ৰত্যেক উন্নত দেশতে গৱেষণাগাৰত অগাৰ কালচাৰ মিডিয়া হিচাপে ব্যৱহাৰ কৰা হয়।


বৰ্তমানৰ বৈজ্ঞানিক কাৰিকৰী দিশত অগাৰৰ উদ্যোগিক দিশ অতি উন্নত । ফটোগ্ৰাফিক ফ্ৰিম, পলিচ্, দাঁতৰ চাঁচ বনোৱা, দাড়ি খুৰোৱা চাবোন ইত্যাদি তৈয়াৰ কাৰ্য্যত অগাৰ ব্যৱহাৰ কৰা হয়। পৃথিৱীৰ বহুতো দেশত বিভিন্ন দুগ্ধ জাত সামগ্ৰী,শীতলীকৰণ, জেলি-জাম, ডেচাৰট ইত্যাদি সোনকালে মজিবলৈ আৰু সংৰক্ষণ কৰিবলৈ শেলাইৰ পৰা তৈয়াৰ কৰা অগাৰ ব্যৱহাৰ কৰা হয় ।

মাটি-পানী উভয়তে বাস কৰা 'ডায়েটম' নামৰ শেলাইবিধৰ অৱদান নুই কৰিব নোৱাৰি।এককোষী ডায়েটমৰ কোষবোৰত যথেষ্ট পৰিমাণে চিলিকা থাকে। শেলাইবিধৰ মৃত্যুৰ পিছত তাত থকা চিলিকাবোৰে সাগৰৰ বুকুত জমা হয় আৰু কালক্ৰমত ইহঁত সাগৰৰ বুকুত জমা হৈ উঠি আহে। ইয়াক ডায়েটম আৰ্থ বোলে। কিছুমান ধাতুৰ পলিচ্, মটৰ গাড়ীৰ পলিচ্, ষ্টিম পাইপ, ব্লাষ্ট ফাৰ্নেছ বয়লাৰ আদিত ইনচুলেটৰ হিচাপে, সাৰকাৰখানাত শোষক হিচাপে, ব্লিচিং পাউদাৰ, বেকেলাইটৰ লগত যোগ হৈ ফিউছ বক্স, আৰু চুইচ তৈয়াৰ কৰিবলৈ যথেষ্ট পৰিমাণে উদ্যোগবোৰত ডায়েটম মাছ ব্যৱহাৰ কৰা হয়।

এইবোৰৰ উপৰিও ক্লৰেলা নামৰ এককোষী সেউজীয়া শেলাইবিধৰ প্ৰয়োগ আমি পাই আহিছো। এই শেলাই বিধ মহাকাশযানত বায়ু শোধক হিচাপে ব্যৱহাৰ কৰা হয়। এই যান সমূহত থকা কাৰ্বনডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি গ'লে যানত বিশেষ ভাবে প্ৰভাৱ বিস্তাৰ কৰে। এই ক্লৰেলাই সালোক সংশ্লেষণত অক্সিজেন নিৰ্গত কৰি বায়ুত গেছৰ পৰিমাণ বক্ষা কৰি স মতা বক্ষা কৰি থাকে ।

মানুহৰ চাৰিওফালে বসবাস কৰি থকা এই শেলাই বিধে অপৰিস্তাৰ কৰি থাকিলেও মানুহৰ চিন্তা চৰ্চাৰ বাবে আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিব পাৰিছো। চকুৰ প্ৰাচাৰতে থকা আমাৰ এই অতি সৰল দেহ গঠনৰ শেলাই সমূহ অতি উপকাৰী নহয়নে ? □□□

প্ৰবন্ধ




শ্ৰীমুন কলিতা
স্নাতক ২য় বৰ্ষ ( বিজ্ঞান শাখা)

অতীজৰে পৰা মানুহে চৰাইৰ প্ৰতি এক অজান আকৰ্ষণ অনুভৱ কৰি আহিছে। বাৰে বৰণীয়া ৰূপ আৰু সুললিত কণ্ঠেৰে সমৃদ্ধ এই চৰাইবোৰে মানুহৰ হৃদয়ত অবুজ পুলক জগাই সৃষ্টি কৰ্ত্তাৰ অস্তিত্বক বাৰে বাৰে সোঁৱৰাই দিয়ে। বংচঙীয়া চৰাইবোৰ নীল আকাশৰ বুকুত খলক লগাই দূৰ-দূৰণীলৈ যোৱা দেখিলে আমাৰো মনবোৰ যেন উৰি যাব খোজে দূৰ দিগন্তলৈ। সুৱদি সুৰৰ মূৰ্চ্ছনাৰে বিবিধ চৰাইয়ে নৱ ঋতুৰ আগমনৰ বাতৰি জনায়। অন্ধকাৰ ৰাতিৰ নিৰ্জনতা ভেদী অহা দূৰৈৰ কোনো অচিন পক্ষীৰ গুৰু-গম্ভীৰ চিঞৰে জয়াল কৰে নিশাৰ প্ৰতিটো প্ৰহৰ। আকৌ বিৰহ বেদনাত ব্যাকুল সখিয়তীৰ কাতৰ বিননিত হৃদয়ৰ নিভৃত কোণত বাজি উঠে যেন কৰুণ সুৰৰ ৰাগিনী। তেনেকৈ বসন্ত কালত কুলী চৰাই জনীৰ অমিয়া বৰষা মাতত কোনেনো বাৰু ৰোমাঞ্চিত নোহোৱাকৈ থাকে ? গতিকে চৰাই অবিহনে প্ৰকৃতিৰ সৌন্দৰ্য্যই অসম্পূৰ্ণ। এই মুকলিমুৰীয়া নিৰীহ প্ৰাণীবিধৰ জীৱন ধাৰণৰ প্ৰণালী প্ৰজাতি ভেদে আশ্চৰ্য্য জনক কলা-কৌশল তথা বৈচিত্ৰতাৰে ভৰপূৰ। সেয়েহে মানুহে আদিম কালৰে পৰা ইহঁতৰ প্ৰতি সদায় কৌতুহলবোধ কৰি আহিছে। এই চৰাইবোৰ জনশূন্য মেৰু অঞ্চলৰ পৰা কোলাহলপূৰ্ণ চহৰাঞ্চললৈ সৰ্বত্ৰতে বিয়পি আছে বাবে মানুহৰ সৈতে ইহঁতৰ ওতঃপ্ৰোত এটা সম্পৰ্ক আছে। আমাৰ জন-জীৱনত চৰাইৰ ভূমিকা নুই কৰিব নোৱাৰি। সেই কাৰণে সাহিত্যতো বিভিন্ন চৰাই সম্বন্ধীয় উপমা, যোজনা আদি দেখা যায়। উদাহৰণ স্বৰূপে হংসগতিৰে যোৱা, চিলনীয়ে থপিওৱাদি থপিওৱা, ফেঁচা নকা, শেন চকুৱা, কাউৰীঠেঙীয়া ইত্যাদি। কবি সাহিত্যিক সকলেও এই চৰাইক বিষয়বস্তু হিচাপে লৈ নানা মন-প্ৰাণ আকলুৱা গীত, কবিতা আদি ৰচনা কৰিছে। চৰাইৰ বিষয়ে লিখা কবিতা বুলি কলেই আমাৰ পোনতে মনলৈ আহে অসমৰ স্বনামধন্য বিহগী কবি ৺ৰঘুনাথ চৌধাৰী দেৱৰ নাম। নিভাঁজ অসমীয়া শব্দেৰে প্ৰাঞ্জল ভাবে লিখা তেওঁৰ কবিতাত চৰাইবোৰ প্ৰাণবন্ত হৈ উঠিছে। বিহগী জীৱনৰ ছন্দময় কাৰুণ্যৰ প্ৰকাশ কৰিছিল তেওঁৰ 'দহিকতৰা' নামৰ কবিতাটিত এনেদৰে -

'অ' মৰমী বন্ধু মোৰ অ' দহিকতৰা,
কোন মূৰ্চ্ছনাত তোৰ বাজে দোতৰা,
মিলন- মাধুৰী লই
আহিছে সাদৰী অই
কোন বিৰহীক দিবি প্ৰেমৰ বতৰা,
পূলিতে আছে বই গুলঞ্চি কতৰা !"

সেইদৰে অনুসন্ধিৎসু বিজ্ঞানী সমাজেও চৰাই সম্বন্ধে কৰা নানা অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে আমি আজি চৰাই সম্পৰ্কীয় বিভিন্ন বা-বাতৰি আৰু ইহঁতৰ অতীত আৰু বৰ্ত্তমানৰ নতুন নতুন তথ্য জানিব পাৰিছো।

পক্ষীজগতৰ উৎপত্তিৰ আঁত বিচাৰি চলোৱা ভূ-তাত্বিক আৰু জীৱাশ্ম (Fossil) অধ্যয়নৰ পৰা এইটো জানিব পৰা গৈছে যে, সম্ভৱতঃ মেছ'জইক যুগ (Mesozoic era) ৰ পৰা এক শ্ৰেণী সৰীসৃপ জাতীয় প্ৰাণীয়েই বৰ্ত্তমান যুগৰ চৰাইৰ পূৰ্বপুৰুষ আছিল। এই সৰীসৃপ জাতীয় প্ৰাণীবোৰ গছত বগুৱাই জীৱন নিৰ্বাহ কৰিছিল। ইহঁতৰ আগঠেং দুখন, পাচ ঠেং দুখনতকৈ তুলনামূলক ভাবে চুটি আছিল। প্ৰয়োজন সাপেক্ষে ইহঁতে গছৰ পৰা মাটিত নামিবলৈ বা এডাল গছৰ পৰা আন এডাল গছলৈ যাবৰ কাৰণে ঠেং কেইখন মেলি বতাহত ওপঙিবলৈ চেষ্টা কৰিছিল। কাল ক্ৰমত আগঠেং কেইখনত পাখি গজি ডেউকালৈ ৰূপান্তৰ হ'ল বুলি বৈজ্ঞানিক সকলে মত পোষণ কৰে। ১৮৬১ চনত বেভেৰিয়াৰ লাংগেনাল্‌থিম ( Langenaltheim)ত পোৱা এটি জীৱাশ্মৰ গৱেষণাৰ পিচত ওপৰৰ তথ্যবোৰৰ সত্যতা প্ৰমাণিত হয়। এই জীৱাশ্মটিৰ পুংখানুপুংখ ৰূপে অধ্যয়নৰ পিচত এইটো ঠাৱৰ কৰা হ'ল যে, ই প্ৰায় ১৪০ নিযুত বছৰ আগৰ অৰ্থাৎ জুৰাচিক যুগ (Jurassic era) ৰ। জীৱাশ্মটিত সৰীসৃপ আৰু চৰাই, উভয়ৰে চৰিত্ৰ কিছুমান পোৱা গৈছিল। জীৱাশ্মত পৰিণত হোৱা এই প্ৰাণীটোৰ মূৰটো সৰীসৃপৰ দৰে আৰু মুখত দুপাৰি দাঁত আছিল। আনহাতে পাখি থকা দুখন ডেউকাৰ লগতে নখযুক্ত আঙুলিও আছিল। নেজডাল ক্ষীণ, দীঘল আৰু দুখন শক্তিশালী ঠেং দেহৰ পশ্চাৎ অংশত অৱস্থিত। এই জীৱাশ্মভূত প্ৰাণীটোৰ নাম ৰখা হ'ল আৰ্কিয়পটেৰিক্স (Archaeopoteryx)। চৰাইৰ ইতিহাস সম্পৰ্কীয় অধ্যয়নত আৰ্কিয়পটেৰিক্সে যথেষ্ট সমল যোগায়।

সি যি কি নহওঁক, বৰ্ত্তমান পৃথিৱীত জীয়াই থকা চৰাইৰ সৰ্বমুঠ প্ৰজাতিৰ সংখ্যা হ'ব প্ৰায় ৮৫৯০ বিধ। এই চৰাইবোৰক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি। ইয়াৰে এবিধে উৰিব পাৰে আৰু আনবিধে উৰিব নোৱাৰে। আমাৰ আশে-পাশে থকা প্ৰায়বোৰ চৰায়ে উৰণ ক্ষমতা সম্পন্ন। উদাহৰণ স্বৰূপে ভাটৌ, শালিকা , ঘণ চিৰিকা, কপৌ, বগলী, ম'ৰা ,কুলী, মইনা, সখিয়তী, ধনেশ, বাটৈটোকা, চিলনী, মাছৰোকা, কাউৰী ইত্যাদি। আনহাতে উটপক্ষী, ৰিয়া, এমু, কিৱি, পেঙ্গুইন আদি চৰায়ে উৰিব নোৱাৰে। গঠন আৰু বিকাশৰ মৌলিক পাৰ্থক্যৰ ওপৰত ভিত্তি কৰি সমগ্ৰ চৰাই জাতিটোক মুঠ সাতাইশটা গোষ্ঠীত বিভক্ত কৰা হৈছে। এই ভিন্ ভিন্ গোষ্ঠীৰ চৰাইবোৰৰ খাদ্য, বাসস্থান, চাল চলনো ভিন্ ভিন্ প্ৰকাৰৰ হয়। বাসস্থানৰ বাবে চৰাই বোৰে নৈ পৰীয়া অঞ্চল, খাল-বিল, ঘাঁহনি-

পিতনি, সাগৰৰ উপকূল অঞ্চল, পৰ্বত-পাহাৰ, মৰুভূমি, তুন্দ্ৰা, মেৰু অঞ্চলকে আদি কৰি চহবাঞ্চলক প্ৰজাতি ভেদে নিৰ্বাচন কৰে। খাদ্যৰ ক্ষেত্ৰতো যথেষ্ট ভিন্নতা পৰিলক্ষিত হয়। কিছুমান চৰায়ে বিভিন্ন শস্যৰ গুটি, ফল-মূল, পাত, ফুলৰ মৌ ৰস আদি খাদ্য হিচাপে গ্ৰহণ কৰে। আন কিছুমানে আকৌ সাপ বেঙকে আদি কৰি বিভিন্ন জীৱিত প্ৰাণী মাছ, পোক-পতংগ, গেলা পচা মাংস আদি খাই জীৱন ধাৰণ কৰে। খাদ্য আৰু বাসস্থানৰ দৰে চৰাইৰ চলন-ফুৰনতো বৈচিত্ৰতা বিৰাজমান। যেনে- কিছুমান চৰায়ে হাজাৰ হাজাৰ পথ অতিক্ৰমি দূৰ দেশলৈ পৰিভ্ৰমণ কৰিবলৈ যায় বছৰৰ এক নিৰ্দ্দিষ্ট সময়ত। আনহাতে কেতবোৰ চৰায়ে একেটা অঞ্চলতে বা খুব কম পৰিসৰতে চৰি-ফুৰি জীৱন অতিবাহিত কৰে। চৰাই দৈহিক গঠন লক্ষ্য কৰিলে দেখা যায় যে, সিহঁতৰ বাসস্থান, খাদ্য, চাল চলন আদিৰ ভিন্নতা অনুযায়ী শাৰীৰিক অভিযোজন হোৱা দেখা যায়। মাংসভোজী চৰাইৰ ঠোঁট আৰু ঠেং ফলাহাৰী বা শস্যভোজী চৰাইৰ ঠোঁট আৰু ঠেঙৰ মাজত পাৰ্থক্য আছে। তেনেদৰে পৰিভ্ৰমী চৰাই আৰু উৰণ বিহীন চৰাইৰ শৰীৰৰ গঠন একে নহয়। আকৌ পানীত চৰা হাঁহ জাতীয় চৰাইৰ দৈহিক গঠন অইন চৰাইৰ সৈতে নিমিলে।

আগতেই উল্লেখ কৰি অহা হৈছে যে চৰাইৰ প্ৰতি মানুহে প্ৰচীন কালৰে পৰা এক আকৰ্ষণ অনুভৱ কৰি আহিছে। সেইবাবে চৰাইৰ বিষয়ে অধিক জানিবলৈ অধ্যয়নৰ প্ৰয়োজন। চৰাইৰ অধ্যয়ন এহাতে যেনেকৈ মনোৰঞ্জকৰ অন্যহাতে ঠিক তেনেকৈ দুঃসাহসিক কাৰ্য্য বুলিও গণ্য কৰা হয়। কাৰণ চৰাইবোৰৰ নিখুট তথ্য পাবলৈ হ'লে বহুতো দুৰ্গম অঞ্চললৈ গৈ দিনে নিশাই ঘূৰি ফুৰিব লগীয়া হয়। কেতিয়াবা এনেকি ডাঙৰ পাহাৰ, জলাশয় আদি অতিক্ৰম কৰি, হাবিয়ে বননিয়ে নিশা খপিব লগীয়াও হ'ব পাৰে। গতিকে পক্ষী নিৰিক্ষণ বা অধ্যয়ন সহজসাধ্য কাম নহয়। এই কাৰ্য্যৰ প্ৰতি আগ্ৰহী ব্যক্তিৰ যথেষ্ট মনোবল, একাগ্ৰতা আৰু ধৈৰ্য্য নাথাকিলে কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে।

পৃথিৱীৰ বিভিন্ন দেশত চৰাই সম্পৰ্কীয় অধ্যয়নৰ বাবে অসংখ্য গৱেষণা কেন্দ্ৰ আৰু নিৰীক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইংৰাজ সকল ভাৰতলৈ অহাৰ আগতে আমাৰ ভাৰতবৰ্ষ এইক্ষেত্ৰত পিছপৰি আছিল যদিও বৰ্ত্তমান যথেষ্ট আগবঢ়া পৰিলক্ষিত হৈছে। ডাঃ টি, চি, জাৰডনে ১৮৬২-৬৪চনত প্ৰকাশ কৰা " The birds of India "নামৰ কিতাপখন ভাৰতীয় পক্ষীবিজ্ঞানৰ বাট কটীয়া বুলি কলেও ভুল নহব। ডাঃ জাৰডন আছিল বৃটিছ সৈন্য বিভাগৰ চাৰ্জন। চাকৰিৰ তাগিদাত বহুঠাই তেওঁ ঘূৰি ফুৰিবলগীয়া হোৱা হেতুকে বিভিন্ন ঠাইৰ চৰাইৰ ওপৰত অধ্যয়ন চলাবলৈ সুবিধা পাইছিল। তেওঁৰ পিচত বহুতো দেশী-বিদেশী পক্ষীপ্ৰেমীয়ে ভাৰতত চৰাইৰ বিষয়ে অধ্যয়ন কৰি গৈছে। এই সকলৰ ভিতৰত প্ৰথমে আমি নাম লব লাগিব আমাৰ ভাৰতীয় বিখ্যাত পক্ষীবিদ ড° চেলিম আলীৰ। ড° আলীৰ কৰ্মৰাজীয়ে বিজ্ঞানী মহলৰ উপৰিও সাধাৰণ মানুহৰ মাজতো চৰাইৰ প্ৰতি উৎসুকতা, আগ্ৰহ, আৰু এধানি মৰম ওপজাবলৈ সমৰ্থ হৈছিল। তেওঁ লিখা অনেক গৱেষণামূলক চৰাই বিষয়ক গ্ৰন্থৰাজী কেৱল ভাৰতবৰ্ষতে নহয় বৰং সমগ্ৰ বিশ্বৰে এক মূল্যবান সম্পদৰূপে বিবেচিত হৈ আহিছে। তেওঁ আগবঢ়োৱা অৱদানৰ কৃতজ্ঞতা স্বৰূপে দেশ বিদেশৰ বিভিন্ন সংস্থাই তেওঁক নানা সন্মানীয় উপাধিৰে বিভূষিত কৰে। ১৯৪১ চনত প্ৰকাশিত ড° আলীৰ এখন বিখ্যাত গ্ৰন্থ হৈছে " The book of Indian birds ।" তদুপৰি ছিডনি ডিলন বিপলে নামৰ এজন আমেৰিকান পক্ষীতত্ত্ববিদৰ সৈতে লগ লাগি তেওঁ দহটা খণ্ডৰ 'Hand book of birds of India and Pakistan ' নামৰ গ্ৰন্থ প্ৰকাশ কৰে। জীৱনৰ শেষ চোৱালৈকে ড০ আলীয়ে পক্ষী অধ্যয়নতে অধিক সময় ব্যয় কৰি গৈছে।

ড° আলীৰ মহান আদৰ্শৰে অনুপ্ৰাণিত হৈ আমিও যদি পক্ষীজগতৰ অধ্যয়ন তথা সংৰক্ষণৰ বাবে আগবাঢ়ো তেতিয়া সৰ্ব প্ৰথমে আমি যিকোনো ঠাইৰে সাধাৰণ চৰাইবোৰ চিনাক্ত কৰিব লাগিব। তাৰপিছত আৱশ্যকীয় সঁজুলি হিচাপে এযোৰ দূৰবীণ যন্ত্ৰ, এটা উচ্চ ক্ষমতা সম্পন্ন কেমেৰা, এখন টোকাবহী আৰু এখন চৰাইৰ চিত্ৰ সহ বিশদ বিৱৰণ থকা দীঘলীয়া তালিকা বহী সংগ্ৰহ কৰি লব লাগিব। এইখিনি সঁজুলিৰে প্ৰথম অৱস্থাত চৰাই নিৰীক্ষণৰ কামত মন কৰিবলগীয়া বিষয়বোৰ হৈছে, চৰাইটোৰ আকাৰ, পাখীৰ বৰণ, মাত বা সুহুৰি, ঠোঁট আৰু ঠেঙৰ গঠন ইত্যাদি। তাৰোপৰি কেনেকুৱা ঠাইত অৰ্থাৎ পানীত নে গছৰ ডালত,মাটিত নে অইন কৰবাত চৰাইটোক প্ৰথমে দেখা গৈছিল আদি যিমানদূৰ সম্ভৱ পুংখানুপুংখ ৰূপে পৰ্য্যবেক্ষণ কৰি, প্ৰাপ্ত তথ্যবোৰ টোকা বহীত লিখি লব লাগে। এইদৰে কৰা নিৰীক্ষণত কেতিয়াবা দুই এটা অচিনাকী চৰাই চকুত পৰে। তেতিয়া বুজিব লাগিব যে চৰাইটো কোনো দূৰ দেশৰ পৰা অহা পৰিভ্ৰমী চৰাই (Migratory birds) নতুবা আগেয়ে চিনাক্ত কৰণ নকৰা সম্পূৰ্ণ নতুন প্ৰজাতিৰ চৰাই। গৱেষণাৰ সুবিধাৰ্থে পৰিভ্ৰমী চৰাইবোৰৰ কিছুমানক ঠেঙত আঙঠি পিন্ধাই দিয়া হয় নিৰীক্ষণৰ সুবিধাৰ্থে। কেতিয়াবা যদি সৌভাগ্যবশতঃ এনেকুৱা আঙঠি থকা চৰাইৰ সন্ধান পোৱা যায় তেতিয়া ওচৰৰ পক্ষীনিৰীক্ষণ কেন্দ্ৰৰ সৈতে যোগাযোগ কৰি এই বিষয়ে অৱগত কৰিব লাগে। পৃথিৱীত মানুহৰ আৱিৰ্ভাৱ হোৱাৰে পৰা বৰ্ত্তমানলৈকে খাদ্য, বাসস্থান আৰু নিত্য-ব্যৱহাৰ্য্য সামগ্ৰী আহৰণৰ বাবে মানুহে প্ৰকৃতিৰ ওপৰত প্ৰত্যক্ষ ভাবে নিৰ্ভৰশীল হৈ আহিছে। যাৰ ফলত প্ৰকৃতিৰ আপুৰুগীয়া গছ-লতা, চৰাই চিৰিকতি, জীৱ-জন্তু ক্ৰমাত হ্ৰাস পাই আহিছে। প্ৰাকৃতিক সম্পদ দ্ৰুতগতিত পৃথিৱীৰ বুকুৰ পৰা কমি অহাৰ ফলস্বৰূপে প্ৰাকৃতিক ভাৱসাম্যই বিৰাট এক ভাবুকিৰ সন্মুখীন হৈছে আৰু ই সমগ্ৰ মানৱ জাতিৰ বাবেই বিপদজনক। বিবিধ মূল্যবান চৰাই পৃথিৱীৰ পৰা ইতিমধ্যে বিলুপ্ত হৈ গৈছে। এই চৰাই সমূহৰ বেছিভাগক খাদ্যৰ বাবেই মানুহে বধ কৰিছিল। তাৰোপৰি বিভিন্ন সাজ-পোছাক তৈয়াৰ, ঔষধ প্ৰস্তুত, আমোদ-প্ৰমোদ আদিৰ বাবেও চৰাইক মানুহে হত্যা কৰি আহিছে। পৃথিৱীৰ পৰা বিলুপ্ত হৈ যোৱা কেইবিধমান চৰাইৰ নাম তলত উল্লেখ কৰা হ'ল- অভিযাত্ৰী পাৰ' ( Passenger pigeon), ড' ড' (Dodo), অ'ক (Auk), ডুমাৰ হাঁহ আৰু বগামুৰীয়া হাঁহ, পাহাৰী কোয়েল ইত্যাদি। বৰ্ত্তমান মানুহৰ অত্যাচাৰত জৰ্জ্জৰিত বসুন্ধৰাৰ বুকুত প্ৰকৃতিৰ আনন্দময় পৰিৱেশ ম্লান পৰি গৈছে। এতিয়াৰ সাহিত্যত প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ বৰ্ণনা শুনিবলৈ নোপোৱা হৈছে। বসন্তৰ আগমণৰ বতৰা লৈ অমিয়া মাতেৰে বন উপবন মুখৰিত কৰিবলৈ কুলী চৰাই জনীৰো হৃদয়ত যেন উৎসাহ উদ্দীপনা নাই। কিয় বাৰু প্ৰকৃতিৰ এই দন্য ৰূপ। ইয়াৰ বাবে দায়ী কোন ? আমি জীৱ শ্ৰেষ্ঠ মানৱ জাতিয়ে নহয়নে ?

'শুনা হে এবাৰ পখী অভাগাৰ বাণী
নালাগে পাৰ্থিৱ সুখ,
নকৰোঁ মনত দুখ
তোমাৰ লগতে উৰি যাওঁ বিহঙ্গিনি !
সদায় বইছে য'ত প্ৰেম-মন্দাকিনী !'

-ৰঘুনাথ চৌধাৰী।

সহায়ক পুথি :-

(১) Common Birds- Salim Ali.
(২) চৰাই - ডিম্বেশ্বৰ চলিহা।

□□□

প্ৰবন্ধ

# হীৰেন ভট্টাচাৰ্যৰ কবিতা : এটি সমীক্ষা

□ ললিতচন্দ্ৰ ৰাভা
প্ৰবক্তা, অসমীয়া বিভাগ

"Poetry is written with words, not with ideas."এয়া আছিল ফৰাচী কবি মালাৰ্মেই চিত্ৰশিল্পী ডেগোলৈ লিখা চিঠি এখনৰ এটি কালজয়ী বাক্য। " কবিতা শব্দৰেহে লিখা হয়, ধাৰণাৰে নহয়।" কাৰণ শব্দৰ ব্যঞ্জনা হৈছে কবিতাৰ মূল আকৰ্ষণ। এই ব্যঞ্জনাই পাঠকৰ হৃদয়ৰ অন্ত:স্থলীত প্ৰৱেশ কৰি পাঠকৰ মন এক অপাৰ্থিৱ অনুভূতি ৰে আচ্ছাদিত কৰি ৰাখে। কবি হীৰেন ভট্টাচাৰ্যৰ ভাষাত "শব্দ মানুহৰ তেজঃদীপ্ত সন্তান।" সাধাৰণ গদ্য আৰু কবিতাৰ মাজত এইখিনিতে পাৰ্থক্য। সাধাৰণ গদ্যৰ ক্ষেত্ৰত পাঠকক কোনো বস্তু এটিৰ প্ৰকৃত ধাৰণা দিব পৰাতেই তাৰ সাৰ্থকতা। ইয়ে পাঠকক দিয়ে আলোচ্য বস্তু সম্বন্ধে এটি স্বচ্ছ ধাৰণা। আনহাতে কবিতাৰ শব্দ হৈছে অধিক ব্যঞ্জনাময়। অথচ ইয়াত কবিতাৰ ভাৱ, ৰূপ আৰু ৰস সম্পৰ্কীয় কোনোটো উপাদানে উপেক্ষিত নহয়। সেইকাৰণে কবিতা এটিৰ উপযুক্ত স্থানত উপযুক্ত শব্দৰ ব্যৱহাৰ কৰিব পৰাটো এক প্ৰতিভা। এনে কিছুমান শব্দৰ ব্যৱহাৰেহে কবিতাক কালজয়ী কৰিব পাৰে, যি কবিতা লিখাৰ সময়ত কবিৰ মগজুত খুন্দিওৱা শব্দবোৰৰ মাজেৰে সবকি আহি কবিৰ ওঁঠত ধ্বনিত হয়। এই শব্দটোকে কলেৰিজে উৎকৃষ্ট শব্দ বুলি কৈছে। তেওঁৰ মতে উৎকৃষ্ট শব্দৰ উৎকৃষ্ট বিন্যাসেই কবিতা। এই শব্দবোৰে পাঠকৰ হৃদয়ৰ অন্তঃস্থলীত প্ৰৱেশ কৰি কাব্যিক অৰ্থৰ সঞ্চাৰ কৰিব পাৰে। সেয়ে কবিতা এক সুক্ষ্ম শিল্প, য'ত শব্দাৰ্থ আৰু ব্যঞ্জনাৰ যথাৰ্থ বিন্যাসে প্ৰকাশভঙ্গীৰ নিটোল গাঁথনি। কবি হীৰেন ভট্টাচাৰ্য্যৰ ভাষাৰে ক'বলৈ গ'লে "শব্দ চয়ন, শব্দ বয়নেই হৈছে কবিৰ নিপুনতাৰ চিনাকি।"

যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিসকলৰ ভিতৰত সৰ্বাধিক জনপ্ৰিয়তা অৰ্জন কৰা হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ আকৰ্ষণৰ মূলতে হ'ল শব্দ প্ৰয়োগৰ এই চাতুৰ্য। 'মোৰ দেশ মোৰ প্ৰেমৰ কবিতা', 'ৰৌদ্ৰ কামনা', 'বিভিন্ন দিনৰ কবিতা', 'সুগন্ধি পখিলা', 'শইচৰ পথাৰ মানুহ' আদি কবিতা পুথিবিলাকৰ মাজেদি কবি হীৰেন ভট্টাচাৰ্যৰ শব্দৰ প্ৰতি থকা আকৰ্ষণ অতি সুন্দৰকৈ প্ৰকাশ পাইছে। কবিৰ ভাষাত-

"শব্দই মোক দিছে প্ৰতিৰোধৰ অসামান্য ক্ষমতা, অৰ্থৰ শংখলা,
নিৰ্ভুল হোৱাৰ ইচ্ছা, সেয়ে প্ৰয়োজনত পুনৰ প্ৰতিষ্ঠা কৰিছো
বিপৰ্যস্ত শব্দৰ নিৰ্বাসিত অৰ্থ।
শব্দ মোৰ শুভংকৰী সংগীত কিম্বা উচ্চতৰ গণিত।"

শব্দৰ উপযুক্ত ব্যৱহাৰৰ প্ৰতি যেন হীৰেন ভট্টাচাৰ্য অধিক সচেতন। শব্দৰ বাহুল্য তেখেতৰ কবিতাত নাই। আছে সংযত শব্দই আনি দিব পৰা ৰূপ, ৰস আৰু সৌৰভৰ আলিঙ্গন-

"শূন্যগৰ্ভ স্বপ্নৰ বাউল হাতত বিস্ময় পৰিকীৰ্ণ প্ৰেমৰ বিমুক্ত মুক্তা
মোৰ নিৰ্বোধ নিয়ত দুখ, তিলে তিলে তিক্ত অথচ তিলোত্তমা।"

অথবা,

"মোৰ অনুভৱে অনুভৱে
তোমাৰ প্ৰেমৰ গুণ গুণ শব্দ
এনেকৈ ক ৰুৱাই জ্বলে
যে তাৰ ছাই ভৰি পৰে
মোৰ বুকুৰ ভিতৰে বাহিৰে।
সম্ভৱত তোমাৰ প্ৰগলভ প্ৰেমে
মোক ছাই কৰি পুৰি নিব ক্ৰমে।"

কবি হীৰেন ভট্টাচাৰ্যৰ হাতত কবিতাৰ ভাৱ আৰু ভাষাই হাতত ধৰা ধৰি কৰি সহজ -সৰল ৰূপত প্ৰকাশ লাভ কৰিছে যদিও সি নিম্নস্তৰৰ কবিতালৈ অৱনমিত হোৱা নাই। বৰঞ্চ ভাৱ আৰু প্ৰকাশভঙ্গীৰ সু সমন্বয়ে তেখেতৰ কবিতাক এক অপূৰ্ব সৌন্দৰ্য দান কৰিছে। তেখেতৰ অধিকাংশ কবিতাই চিত্ৰধৰ্মী।

"জুনুক কৰি বাজিল জুনুকা।
'চেনীমৰা বাগিছাৰ চিঠি' লৈ কোৱাল খোজেৰে গুচি গ'ল ডাকোৱাল
গছে গছে হেপাহৰ ৰঙীন ৰুমাল।"

অথবা,

"দুখৰ মাটিত মই শুই আছোঃ
শিতানত মোৰ সপোনৰ সঁচাৰ কাঠি;
মেহগনি ৰঙৰ আকাশখনত এখুজি দুখুজি খোজ গণি গণি ৰাতি
দেও দি আহে ৰূপালী ৰঙৰ হৰিণা পোৱালি এটি!"

কবিৰ প্ৰকাশভঙ্গীত অনুপ্ৰাস আৰু অন্ত্যানুপ্ৰাসৰ ধ্বনি-প্ৰতিধ্বনি শুনিবলৈ পোৱা যায় আৰু ইয়ে তেখেতৰ কবিতাক এক অপূৰ্ব সৌন্দৰ্যৰ যোগান ধৰিছে। অনুপ্ৰাসৰ দৃষ্টান্ত-

" মোৰ শিল শৰীৰত শায়িত শিল্পিত এখন নদী।"

অথবা,

"পিংগল প্ৰত্যুষৰ প্লাৱিত ভৰিৰ আলফুল খোজত
মই সাৱ পাই গ'লো।"

অন্ত্যানুপ্ৰাসৰ উদাহৰণ-

"বুকুত ৰামধেনু ৰঙৰ গুপুত দৃশ্যাৱলী।
জনান্তিক কবি, কঠিন পাহাৰতলিত ক্ষন্তেক জিৰাই ললি।
কোন নদীময় নাৰীৰ নয়নভৰা নিমন্ত্ৰণ পত্ৰ খুলি।"

অথবা,

"কামিজৰ সিয়নিত দুখ, দুখৰ স্তুতি
মোৰ গাত হাত থলেই পাবা হীৰেন নামৰ কবি
পদাচাৰী নদীৰ সোঁতত উতলা দুখৰ অনুভূতি।"

হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ মূল বিষয়-বস্তু হৈছে প্ৰেম । এই প্ৰেম কবি ভট্টাচাৰ্যৰ কবিতাত দুটা স্ৰোতত বিভক্ত হৈ প্ৰৱাহিত হৈছে । এফালে ব্যক্তিগত প্ৰেমে তেওঁৰ জীৱনলৈ আনি দিছে আশা ভঙ্গৰ হৃদয় বিদাৰক বিননি আৰু আনফালে স্বদেশ প্ৰেম আৰু মানৱ প্ৰেমৰ উত্তাল স্ৰোতে আনি দিছে মুক্তিৰ বাণী । এই দুই স্ৰোতত কবিৰ যৌৱনৰ দূত কবিতাই মানৱীয় মূল্যবোধেৰে নিয়ৰত তিতা শৰতৰ শেৱালিৰ দৰে সিক্ত হৈ উঠিছে । তাতেই পাঠকৰ হৃদয়ে এক অতিবসৰ সন্ধান পাইছে ।

কবি হীৰেন ভট্টাচাৰ্য যেন প্ৰেমৰ দূত । আনহাতে কবিৰ প্ৰেম হৈছে যৌৱনৰ দূত । এই প্ৰেমৰ অস্তিত্ব কিন্তু কবিৰ অন্তৰবো অন্তঃস্থলীত । প্ৰেম যেন কবিৰ ৰক্ত প্ৰৱাহ ।

"জানো সঠিক, তেজৰ সমুদ্ৰত আছে প্ৰেমৰ দ্বীপ ।
উপমাৰ নকৰো অপচয়, প্ৰেম নিৰ্জনতাৰে প্ৰতীক ।"

নিৰ্জনতাৰ প্ৰতীক হোৱা বাবেই প্ৰেমে বাহিৰত প্ৰকাশ নাপায় । কবিৰ ভাষাত -

"প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি ।
নিশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি ফুৰে
শব্দ বৰ্ণ আৰু পোহৰৰ উৎস ।"

কিন্তু ই লাহে লাহে ভিতৰলৈ সোমায়-

"বৰ যতনেৰে এটা ফুলৰ গুটি তাইৰ চকুত থ'লো ।
গছজোপা গজা নাই, বুকুখন দাঙি শিপাডাল পালোঁ ।"

প্ৰেয়সীক দিবলৈ কিন্তু কবিৰ একো নাই । কেৱল নিজক উন্মুক্ত কবি প্ৰেয়সীক নিজৰ সকলো অস্তিত্বহে অৰ্পণ কৰিব পাৰে । কবিৰ ভাষাত-

"তুমিতো জানায়
এই কবিৰ আৰু একো নাই ।
এটাই মাথো কামিজ
তাৰো ছিগো ছিগো চিলাই ।
প্ৰেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায় ।"

স্বদেশ প্ৰেম হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ আন এটি উল্লেখযোগ্য দিশ । কবিয়ে অনুভৱ কৰিছে স্বদেশৰ মাটি আৰু মানুহৰ প্ৰতি এক গভীৰ দায়বদ্ধতা । সেয়েহে কবিয়ে স্বদেশৰ শান্তি আৰু কল্যাণৰ কাৰণে সকলো উছৰ্গা কৰিব পাৰিছে এনেদৰে-

"এই দেশৰ বাবে মই জীয়াই আছো । এই দেশৰ বাবে মই
জীয়াই থাকিবলৈ মৰণ পণ কৰিছো । বগুৱা, বগুৱা, হালোৱা
এই সকলোৰে মাজত মই আছো-মোৰ দেশৰ বাবে । অনৈক্যৰ
মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছো ।
জীৱনে-মৰণে,শয়নে-সপোনে এই দেশৰ আহ্বান মই শুনিছোঁ ।"

কাৰণ এই দেশখন কবিৰ কাৰণে প্ৰাণৰো প্ৰাণৰ । এই দেশৰ প্ৰতি থকা প্ৰেমেই হৈছে কবিৰ জীৱনৰ প্ৰথম প্ৰেম । এই দেশতে কবিয়ে বিচাৰি পায় জীৱনৰ নতুন অৰ্থ । এই দেশক লৈয়ে কবিৰ প্ৰতিটো কৰ্ম পৰিচালিত হয় । দেশখনৰ ভৱিষ্যতৰ চিন্তাই কবিৰ অন্তৰত অহৰহ ক্ৰিয়া কৰি থাকে । সেয়েহে স্বদেশৰ কাৰণে অসাধ্য সাধন কৰিবলৈকো কবি প্ৰস্তুত ।

"মোৰ দেশ-মোৰ কল্লোলিত সপোনৰ উত্তাল তৰংগই
মোক লৈ যায় গভীৰৰ পৰা গভীৰতৰলৈ, আদৰ্শৰ
কঠিন পৰ্ব্বতমূললৈ............"

কবিৰ প্ৰেমে কেতিয়াবা ব্যক্তিগত প্ৰেম আৰু স্বদেশ প্ৰেমৰ দেওনা… অতিক্ৰমি মানৱ প্ৰেমলৈ উন্নীত হৈছে । কবিয়ে অনুভৱ কৰিছে-এইখন পৃথিৱীত বাস কৰা সকলোৰে মাজত ভাতৃত্ব স্থাপন হওক, পৰস্পৰে পৰস্পৰৰ ওচৰ চাপক

"মোৰ আইৰ হাত ধৰি দেশৰ পৰা
দেশান্তৰলৈ মই গৈ আছো । মোৰ প্ৰতিবেশী আৰু মোৰ বন্ধুজন
ক্ৰমে ওচৰ চাপি আহিছে ।"

সেয়েহে দেশৰ ভৌগোলিক সীমা অতিক্ৰম কৰি তেওঁ ক'ব পাৰিছে-

"নদ-নদী-পৰ্বত চিত্ৰিত বিপুল মহাদেশৰ মই কবি,
পৃথিৱী মোৰ কবিতা ।"

সৰ্বসাধাৰণৰ প্ৰতি দৰদ হীৰেন ভট্টাচাৰ্যৰ কবিতাত লক্ষ্য কৰা যায় । যিসকল শোষিত, লাঞ্ছিত আৰু বঞ্চিত, সেইসকলৰ প্ৰতি সহানুভূতিত কবিৰ অন্তৰ দুখেৰে ভৰি পৰিছে-

"ফাটেক ভাঙি ওলাই আহিছে
ঘৰৰ মানুহটো-
সিৰিকি কৰিলেই কঁপে
তাৰ
ঘৰৰ ভিতৰৰ
ঘৰ ।"

সম-সাময়িক ঘটনাৰ প্ৰভাৱ সকলো কবিৰ কবিতাতে পৰে । হীৰেন ভট্টাচাৰ্যয়ো অনুভৱ কৰিছে- "মই কবি, কৃতিত্বৰে পাৰ হৈ আহিছে… যুবগ্ৰীৰ বহু ভয়ংকৰ দিন ।" সত্তৰ দশকত দেখা দিয়া দেশৰ দুৰৱস্থাৰ চিত্ৰণ তেওঁৰ… কবিতাত এনেদৰে লক্ষ্য কৰা যায়-

"আকালৰ চোতাল । শস্যৰ পথাৰ উদং । কিশোৰৰ হেবাল
স্বপ্ন স্বাধীনতা। গৰ্ভৱতী নাৰী নিদ্ৰাত নিহত ।
মূলত কি বিহ ? উছন গ'ল গাঁও । নষ্ট নগৰ
মৃত্যুৰ মলিন হাঁত অশ্লীল বণিজ । পাপ মুদ্ৰাৰ পয়োভৰ ।"

চিলিৰ নিৰ্মম গণহত্যাৰ প্ৰতিবাদত তেওঁ এনেদৰে লিখিছে-

"বহুল যেতিয়া বধ্যভূমি
চীনৰ পৰা পেক, ক্ৰচৰ কঠিন কাঠত ভূমি ;
উদ্ভাসিত দেহ, আৰ্দ্ৰ বুকু ,
দহো দেশ মোৰ নিৰ্জো নতুন যীশু ।"

সহজ বোধ্যতাই কবি হীৰেন ভট্টাচাৰ্যৰ কবিতাক জনসাধাৰণৰ ওচৰ চপাই… নিছে । সম-সাময়িক কবিসকলৰ কবিতাত দেখিবলৈ পোৱা দুৰ্বোধ্যতা আৰু বিদেশী… কবিৰ প্ৰভাৱ তেওঁৰ কবিতাত দেখিবলৈ পোৱা নাযায় । চিনাকি দেশৰ চিনাকি… ছবিক চিনাকি শব্দৰে দাঙি ধৰিবলৈ পৰাটোৱে তেওঁৰ সাৰ্থকতা । সেয়ে… তেওঁ হ'ব পাৰিছে জনতাৰ কবি । জনতাৰ কবি হিচাপে তেওঁ গণতান্ত্ৰিক দেশৰ… জনসাধাৰণৰ উত্থানত আশাবাদী । কাৰণ -

" কল ঘৰৰ ক'লা ধোঁৱাই
এদিন আকাশত বিজুলি জ্বলাব,
ৰাস্তাৰ কাষৰ এইজাক ল'ৰাই
জীৱনৰ বাটে বাটে ফুল ফুলাব,
ব্যাধিগ্ৰস্ত এই নগৰে এদিন
আকাশলৈ মূৰ তুলি চাবঃ আকাশ ইমান বহল !
দকৈ উশাহ লৈ ক'বঃ বতাহ ইমান কোমল !!"

□□□

প্ৰবন্ধ

# ৰাভা সকলৰ বায়খো পূজা আৰু হ্‌নাঘোঁৰা নৃত্য

□মিচ্ বিভা ৰাভা
স্নাতক ২য় বৰ্ষ (কলা শাখা)

বহু জাতি উপজাতিব মিলন তীৰ্থ এই অসম । এই মিলনতীৰ্থত বাস কৰা এটা অন্যতম জনজাতি হল বাভাসকল । এওঁলোক মূলত: মঙ্গোলীয় গোষ্ঠীব লোক । ডঃ ভূৱন মোহন দাসদেৱৰ মতে নিজস্ব ঐতিহ্য , নৃত্য , কৃষ্টি , বৈশিষ্ট্য , বিশ্বাস , আখ্যান-উপাখ্যান , নৃত্য-গীতেৰে পবিপুষ্ট ৰাভাসকল এটা পৃথক জনজাতি । সি যি কি নহওক বাভা জনজাতিসকল অসমত অতীতৰে পৰা বাস কবি অহা এটা চহকী লোক-সংস্কৃতি সম্পন্ন জনগোষ্ঠী ।

বাভাসকলে এতিয়াও প্ৰাচীন বৈশিষ্ট্য ৰক্ষা কৰি স্বকীয় দেৱ-দেৱীক উপাসনা কৰে । বাভাসকল প্ৰকৃততে জড়বাদী । কাৰণ এওঁলোকৰ এই দেৱ-দেৱী সমূহৰ কোনো বিগ্ৰহ বা প্ৰতিমূৰ্ত্তি নাই । মাথো 'ৰুণজুমুক' অৰ্থাৎ দেৱ বা দেৱীৰ প্ৰতিকী শিলবোৰকে বেদীত স্থাপন কৰি পূজা-অৰ্চনা কৰে ।

এই দেৱ-দেৱীৰ পূজা-পাৰ্বন যথেষ্ট শুদ্ধ আচৰণ আৰু অধিবাস-উপবাস আদিৰে পালন কৰা হয় । প্ৰথমে আমি 'বায়খো' পূজাৰ কথা উল্লেখ কৰিব পাৰো । 'বায়খো' পূজাৰ সময়ত মূল দেউৰী আৰু পালি দেউৰী সকলে সপ্তাহকাল ধৰি নিজে ৰান্ধি-বাঢ়ি খোৱা , আচুতীয়া ভাৱে থাকি ব্ৰত পালন কৰা বাধ্যতামূলক । অন্যথাই অমঙ্গল আৱশ্যম্ভাৱী । সেয়েহে এই পূজাৰ সময়ত প্ৰজ্জ্বলিত অগ্নিকুণ্ডৰ ওপৰেৰে দেউৰী , পালি দেউৰীসকলে নাচি-নাচি গলেও কেতিয়াও জ্বলা জুইয়ে পুৰিব নোৱাৰে । ই ৰাভাসকলৰ দৃঢ় বিশ্বাস ।

'বায়খো' ৰাভাসকলৰ প্ৰধান অধিষ্ঠাত্ৰী দেৱী । প্ৰাচীন কালৰে পৰা ৰাভা সকলে কৃষি কৰ্মৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰি আহিছে । সেই কাৰণে 'বায়খো' দেৱীক কৃষিৰ অধিষ্ঠাত্ৰী দেৱীৰূপে ৰূপায়িত কৰি বলি বিধান সহ পূজা অৰ্চনা কৰি আহিছে । 'বায়খো' পূজা বাভাসকলৰ ডাঙৰ আৰু প্ৰধান ধৰ্মীয় উৎসৱ । এই পূজা সামূহিকভাৱে বছৰত এবাৰহে কৰে । এই পূজা সাধাৰণতে কৃষি কাৰ্য্যত নমাৰ আগতে অনুষ্ঠিত কৰে । আদিতে হেনো এই পূজা সাতদিন-সাতৰাতি ব্যাপি চলিছিল । বৰ্ত্তমান অৰ্থনৈতিক জটিলতাৰ বাবে তিনিদিন-তিনিৰাতিলৈকে এই পূজা উৎসৱ চলায় । দেৱীৰ সন্মুখত ডাঙৰ আৰু শকত গাহৰীবোৰহে বলি দিয়া হয় । ডাঙৰ আৰু শকত গাহৰী বলি দিয়াৰ উদ্দেশ্য হ'ল যাতে দেৱীয়ে সন্তুষ্ট হৈ তেওঁলোকক প্ৰচুৰ পৰিমাণে বৰষুণ দিয়ে আৰু বেমাৰ-আজাৰ নোহোৱাকৈ যাতে সকলো মানুহে সুখে-সন্তোষে জীৱন-যাপন কৰিব পাৰে । আনহাতে ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্যোগ নঘটে ।

'বায়খো পূজা' পোণ প্ৰথমে হাৱাৰাঘাট পৰগণাৰ আঠিয়াবাৰীত আৰম্ভ কৰা বুলি জনা যায় । তাৰ পাছত ডাৰমাং পাহাৰত এই পূজা কৰা হৈছিল । ইয়াৰ বিস্তৃত বিৱৰণ পূজাৰ সময়ত গোৱা 'হয়মাৰু' গীতত পোৱা যায় ।

ৰাভা গাওঁৰ বিভিন্ন অঞ্চলত বিভিন্ন প্ৰকাৰে 'বায়খো' পূজা কৰে । বায়খো দেৱীক প্ৰধানকৈ চাৰিটা দেৱীৰ ৰূপত ৰূপায়িত কৰি পূজা কৰে । যেনে-১)দাদুৰী ২) সুচাৰী ৩) নামাটি আৰু ৪) তামাই ।

এই পূজাত অঞ্চল বিশেষে কিছুমান বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰে । কিছুমানে অগ্নিপূজা কৰে । পূজাৰ থলিৰ পৰা ঘূৰি আহি গাওঁৰ মুকলি পথাৰত কাঠ-বাঁহৰ মেজি সাজি জুই জ্বলাই তাৰ চাৰিওফালে ঘূৰি ঘূৰি নাচে আৰু অৱশেষত সেই জুইৰ আঙঠাৰ ওপৰত নাচি নাচি জুই নুমায় । এই কাৰ্য্য বৰ বিপদজনক । কাৰণ পূজাৰ ব্যতিক্ৰম হ'লেই জুইত পৰি মৃত্যুও হ'ব পাৰে । আকৌ কিছুমান ঠাইত পূজাৰ থলিৰ পৰা আহি গাৱঁত লতা পূজা কৰে আৰু নাচি-নাচি ডাঙৰ লতা এডাল দুটা দলে টানে। কিছুমানে আকৌ পূজাৰ থলীৰ পৰা গৈ পথত দূৰ্গৰ আকৃতিৰ এটা কাঠেৰে ওখকৈ দেৱাল বান্ধে । পূজাৰ থলীৰ পৰা অহা দেউৰী তথা লগত অহা মানুহ বিলাকে যুদ্ধৰ সাজ-পোচাকেৰে সু-সজ্জিত হৈ ৰণনৃত্য কৰি সেই দেৱালখন ভাঙে । ইয়াকে 'কিল্লা' (দূৰ্গ) ভঙা নৃত্য বোলে । দেৱালখন ভাঙোতে সাৱধান নহলে মানুহৰ মৃত্যুও হব পাৰে ।

'বায়খো' পূজাৰ শেষ দিনা গধূলি দেউৰী , পালি দেউৰী আৰু গাঁৱৰ ৰাইজে মূল দেউৰীৰ চোতালত নাচি-বাগি মদ খায় । আনহাতে ডেকা-ডেকেৰী বিলাকে বিহুৰ সদৃশ 'ছাথাৰ' নৃত্য কৰি ৰং তামচাৰে ৰাতিটো কটায় । মুঠতে 'বায়খো' পূজাৰ পুৰোহিতে (মুল দেউৰী) কৰা 'স্তৱ' মন্ত্ৰ আৰু পৰিৱেশন কৰা গীতৰ কাহিনীৰ যোগেদি ৰাভা জাতিৰ প্ৰাচীন বিগ্ৰহৰ ইতিহাস , সংঘৰ্ষময় জীৱন কাহিনী , মানৱ জীৱনৰ পৰিবেশ আদিৰ বহুতো লুপ্তপ্ৰায় কথাৰ আভাস পোৱা যায় ।

ৰাভা সম্প্ৰদায়ৰ মাজত চলি থকা আন এটি পুৰণিকলীয়া কৃষ্টি হ'ল- 'হ্‌নাঘোঁৰা নৃত্য' । এই নৃত্য কেতিয়াৰ পৰা জনজাতীয় সমাজত প্ৰচলিত হ'ল, সেই বিষয়ে থিৰাংকৈ কোৱা টান । মূখ্যতঃ ৰাভা সকল শিৱভক্ত । সেয়ে শিৱক সন্তুষ্ট কৰিবলৈ পূজা-উপাসনা কৰে । হ্‌নাঘোঁৰা নৃত্যৰ মূলগত তাৎপৰ্য হ'ল 'লাঙা পূজা'( শিৱ পূজা) কৰা ।

ৰাভাসকল ঘাইকৈ কৃষিজীৱি । বছৰটোৰ বাবে কৃষিত আত্মনিয়োগ কৰিবলৈ আৰু শষ্য অধিক লাভ কৰিবলৈ শিৱক পূজা-অৰ্চনা কৰে । গাওঁসমূহত বেমাৰ-আজাৰ, মাৰি-মৰক আঁতৰি শান্তি বিৰাজ হবৰ বাবে এই 'লাঙা পূজা' কৰা হয় । হ্‌না ঘোঁৰা নৃত্যৰ উৎপত্তি সম্পৰ্কে এটি প্ৰবাদ আছে । দক্ষ ৰজাৰ যজ্ঞস্থলীত সতীয়ে যেতিয়া দেহ ত্যাগ কৰিছিল, তেতিয়া দেৱাদি দেৱ মহাদেৱে সতীৰ দেহ কান্ধত লৈ বলীয়া হৈ নাচি ফুৰোঁতে গাৰো পাহাৰত হ্‌না সকলক (ৰাভা সকলৰ এটা গোষ্ঠী) লগ পাইছিল । শিৱই ভাগৰ উপশম কৰিবলৈ মদ খাই তেওঁলোকৰ লগত নাচিবলৈ ধৰিছিল । হ্‌নাসকলেও বৰ আনন্দিত হৈ কালী গোঁসানীৰ ঘোঁৰাটোকে লৈ নচা আৰম্ভ কৰিছিল । তেওঁলোকে হাতত থকা কোদাল , মাৰি , ঢোল , পেঁপা আদি বজাই নাচিবলৈ ধৰিছিল । এনে সময়ত কালী গোঁসানীৰ ঘোঁৰাও অন্তৰ্ধান হ'ল । তেতিয়া হ্‌না সকলে কৃত্ৰিম ঘোঁৰা তৈয়াৰ কৰি লৈ পুনৰ নৃত্য আৰম্ভ কৰিছিল । সেই সময়ৰ পৰাই হ্‌না

ঘোঁৰা নৃত্যৰ প্ৰচলন ঘটিল বুলি জনপ্ৰবাদ আছে । হানা সকলে এই ঘোঁৰা নৃত্য উদ্ভাৱন কৰা কাৰণে বোধহয় ইয়াক হানাঘোঁৰা নৃত্য নামে জনা যায় ।

ব'হাগৰ প্ৰথম বিহুৰ পৰা সাত বিহুলৈ 'হানা ঘোঁৰা' নৃত্য উদযাপন কৰা হয় । বিশ্বাস আছে যে, হানাঘোঁৰা সকলোৱে নিৰ্মাণ কৰিব নোৱাৰে । 'হানাঘোঁৰা' নিৰ্মাণৰ পূৰ্বে নৈবেদ্য দিব লাগে । প্ৰথমে ঘোঁৰা আকৃতিৰে বাঁহৰ 'খাছা' বনোৱা হয় । অৱশ্যে ঘোঁৰা আকৃতিৰ যদিও মুখখন দেও ছাগলীৰ মুখাৰ নিচিনাহে আৰু দেও ছাগলীৰ শিং লগাই দিয়া হয় । ঘোঁৰাৰ পিচফালে শেল আকৃতিৰ এটা অংশ থাকে আৰু শেলডালৰ গুৰিত এডাল গছৰ আহেৰে তৈয়াৰী একোচা কেশৰ থাকে । খাছাটোৰ ভিতৰত মানুহ সোমাব পৰাকৈ ব্যৱস্থা ৰখা হয় । গোটেই খাছাটো আৱৰি থকাকৈ কলা কাপোৰ মেৰিয়াই দিয়া হয় । মানুহজনে বগা কাপোৰ এখন মূৰত মাৰে । হানাঘোঁৰা নৃত্য কৰাজনৰ লগত কেইজন মান সঙ্গীৰ প্ৰয়োজন হয় । হানাঘোঁৰাৰ দুয়োকাষে ঢাল-তৰোৱাল লৈ নৃত্য কৰা দুজন, মাদল বজোৱা দুজন, শিঙা বজোৱা এজন, কোদাল বা ঘাণ্টি বজোৱা এজন, বাঁহী বজোৱা দুজন আৰু গান ধৰা পাঁচ-ছয়জনলৈ মানুহ থাকে ।

প্ৰথম বিহুৰ দিনাখনেই কোনো বাজহুৱা স্থানত অথবা গোসাঁইঘৰ প্ৰাঙ্গণত পূজা অনুষ্ঠিত কৰা হয় । আগলতি কলপাতত মিঠা তেলৰ চাকি, ধূপ-ধুনা জ্বলাই দুটা কণীত তেল সিন্দুৰ লগাই হানা ঘোঁৰালৈ আগবঢ়োৱা হয় আৰু পূজা শেষ হোৱাৰ পিছত কণী দুটা 'হানাঘোঁৰাৰ' শিঙত ফুটাই লগাই দিয়া হয় । ঘোঁৰা লওঁতাজনে গা-পা ধুই একান্তমনে প্ৰাৰ্থনা জনাই ঘোঁৰাৰ ভিতৰত প্ৰৱেশ কৰে । পূজাৰ শেষত বাইজৰ মঙ্গল কামনাৰে হৰ্ষধ্বনি দি যাত্ৰা আৰম্ভ কৰে । গাঁৱৰ প্ৰতিঘৰ মানুহে হানা ঘোঁৰাৰ নামত দুটাকণী, পিঠাগুৰি, সেন্দুৰ, ফুলৰ মালা আদি আগবঢ়ায় । নৃত্যৰ আগমুহূৰ্তত পিঠাগুৰি চোতালত ছটিয়াই দিয়ে । শিঙা, মাদল, কোদাল, বাঁহী আদি বাদ্যসমূহৰ তালে তালে হানাঘোঁৰা ধাৱণ কৰা মানুহজনে নৃত্য কৰে আৰু অন্যান্য সকলেও নৃত্য আৰু গীত মাতেৰে মুখৰিত কৰি তোলে । হানাঘোঁৰা লোক নৃত্যৰ গীতাংশৰ কেইটামান পংক্তি হ'ল -

হয় হয় ই ------ ই ------- ই ------
ছায়ৱত ছায়ৱত *হায়ৱতীয়া* ( ছয়বাতিয়া )
কুমলা মদখান থায় *কুতিয়া* ( কেতিয়া )
পাথাৰা কি ছিথিৱা২
মাহী ঐ লাঙামাৰাৰ *ঘুবী* ( মদ ৰখা বিশেষ পাত্ৰ )
আজিৰ পৰা দিন নাই
মাহী ঐ নাচ ঘুৰি ঘুৰি ॥
লাঙামাৰাৰ আগত্তে২
মাহীঐ ফাটাই খালং বেল ।
আগতে কলিয়া জেৱা২
মাহী ঐ গাৱত ঘঁহে তেল ॥
চাঁচি চুঁচি উলিয়ালং২
মাহী ঐ বিজুলী বাঁহৰ কামী ।
নদৰাৰি নহৰাৰি২
মাহী ঐ দাখিলীপাৰীয়া আমি ॥
লিং লিং লাং লাং২
মাহী ঐ আউনীয়া পানৰ উজি ।
এটা লৈ যাম সুধি-পুচি
মাহী ঐ এটা লৈ যাম খুজি ॥
ডুবুং গাছৰ মইনা
মাহী ঐ শিলত পাকাং খাছা ।
শনিবাৰ হাটৰ তামোল পান
মাহী ঐ কালৈকেনো সাঁচা ॥
ডাং ঘৰৰ বেৰতে
মাহী ঐ গোৱৰ *ছিটিৱাই* ( ছটিয়ায় )
বাঙা বেলা ওলালে
মাহী ঐ যঁতৰ ভিটুৱায়
কাঠল পাৰং ধুম্-ধাম্
মাহী ঐ *কছুণীয়া কোঁহ* । ( নহক কোঁহীয়া )
যদি ঘোঁৰা চাব খোজা
মাহী ঐ *চানা* বোকা ল' ( কেঁচুৱা )
শিলত বগায় শিল কোমৰা
মাহী ঐ মাটিত বগায় ভোল ।
গামোছাতে তুলি ললং
মাহী ঐ *দমাচকি ফুল* ।। ( দহিকতৰা )
হুৰ্ হুৰীয়া মেল কৰে
মাহী ঐ নিজৰাৰে ঘাটত ।
আৰে মাহী ঘৰক যাং
মাহী ঐ বেলা বহিল চাকাত
আলু কচু কণ্ডতে
মাহী ঐ আদা কচু কণ্ডতে ।
পকা ধান খাই গেল
মাহী ঐ ঘোঁৰা নচুৱাং তে ॥ - ইত্যাদি ।

নৃত্যগীতৰ শেষত গৃহস্থই এখন জোঙা মদ, পাঁচটা তামোল, এক মুঠি পাণ, কিছু পইচা আদি আগবঢ়ায় । পিছত দলটিয়ে পৰিয়ালটোৰ মঙ্গলাৰ্থে আশীৰ্বাদ দিয়ে ।

সাত বিহুৰ দিনাখন হানাঘোঁৰা লওঁতাজনে ঘোঁৰাটো হাবিত বিসৰ্জন দিয়ে । শেষত সকলোৱে মিলি-জুলি গাহৰি মাৰি মদ আদিৰে ভোজ ভাত খায় ।

বাভাসকলে 'হানা ঘোঁৰা'ক আজিও দেৱতা বুলি মানি চলি আছে । হানাঘোঁৰাক অমান্য অথবা উপলুঙা কৰাজনৰ ক্ষতি আৰু অমঙ্গল হয় । যিয়ে এনে কাৰ্য কৰে, তেওঁৰ বিপদ, আনকি মুখ বেকা হোৱা ঘটনাও শুনা যায় । সেয়ে বাভাসকলে হানাঘোঁৰাক অধিক ভয় আৰু ভক্তি কৰে । হানাঘোঁৰাৰ সুদৃষ্টি লাভ কৰিব পাৰিলে বেমাৰ-আজাৰ, মাৰি-মৰক, অপায়-অমঙ্গল আদিৰ পৰা হাত সাৰিব পাৰি □□□

□□□ *'আমি কি হ'ব খোজো সেইটো ঠিৰাং কৰাৰ ক্ষমতা আমাৰ নিজৰ মাজতেই আছে । আমাৰ শৰীৰ হ'ল এখন বাগিছা, তাৰ মালা হ'ল আমাৰ ইচ্ছা শক্তি ।'* □□□

**-শ্বেক্সপিয়েৰ**

প্ৰবন্ধ

# অসমৰ মনসা কবি মনকৰ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

☐ ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া
প্ৰবক্তা, অসমীয়া বিভাগ

মনসা গীত পদৰ কবিসকলৰ ভিতৰত মনকৰ অন্যতম । তেওঁৰ কাব্যক 'পদ্মা-পুৰাণ', 'মনসা-পুৰাণ', 'মনসা-কাব্য', 'মনকৰী' আদি বিভিন্ন নামেৰে জনা যায় যদিও কবিৰ নামানুসৰি 'মনকৰী' নামটোৰ অধিক প্ৰচলন দেখা যায় । উদ্ধাৰ হোৱা তেওঁৰ খণ্ডিত বা অসম্পূৰ্ণ কাব্যৰ মাজত আত্মপৰিচয়ৰ বহল বৰ্ণনা পোৱা নাযায় । বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ দ্বাৰা সম্পাদিত 'মনসা-কাব্য' ( প্ৰথম খণ্ড)ত পোৱা মতে মনকৰৰ মাকৰ নাম আছিল কালিন্দ্ৰী ঃ

'উঠিতে বোলই (মাই) বসিতে --------।
কালিন্দ্ৰী মাৱৰ গুণ সুজন নাযায় ।'
পিতৃৰ নামৰ বেলিকা কবি নিমাত; কিন্তু
পিতামহৰ নাম কবিয়ে উল্লেখ কৰিছেঃ
'কামৰূপৰ কামাখ্যা বন্দো ঢেকেৰিআৰ নাতি ।
পাতালৰ নাগ বন্দো এ নাগ দেৱতি।।'

তেওঁৰ ' কামৰূপৰ কামাখ্যা বন্দো' পদ্যাংশৰ পৰা তেওঁ যে এজন কামৰূপী লোক আছিল এই কথা অনুমান কৰিব পাৰি । কিন্তু উক্ত বৰ্ণনাত থকা 'ঢেকেৰিআৰ নাতি' কথাষাৰ মনকৰিবলগীয়া । কালিৰাম মেধিয়ে মনকৰক ঢেকেৰিয়া ( ঢেকেৰিআ) ৰজাৰ নাতি আছিল বুলি অনুমান কৰিছে । মেধিয়ে আকৌ উক্ত ঢেকেৰিয়া ৰজাক তাম্ৰশাসন এখনত পোৱা 'ঢেক্কৰী' বিষয়ৰ মহামাণ্ডলিক ঈশ্বৰ ঘোষৰে বংশধৰ বুলিছে । উক্ত তাম্ৰশাসনখনত কোনো চন -তাৰিখৰ উল্লেখ নাই যদিও শাসনখনৰ আখৰবোৰলৈ দৃষ্টি কৰি সেইখন আনুমানিক খৃষ্টীয় দ্বাদশ শতিকামানৰ বুলিব পাৰি ।[১] তাম্ৰশাসনখনত উল্লেখ পোৱা মতে 'ঢেক্কৰ' বিষয় বা পৰগণা প্ৰাচীন কামৰূপ ৰাজ্যৰ পশ্চিমাঞ্চলৰ এক অংশবিশেষ । আনহাতে বংগীয় পণ্ডিতসকলে পশ্চিমবংগৰ (ৰাঢ়) অংশ বিশেষকহে 'ঢেক্কৰ' পৰগণা বুলিব খোজে । উক্ত তাম্ৰশাসনখনত উল্লেখ কথা 'ঈশ্বৰ ঘোষক পুৰণি কামৰূপ ৰাজ্যৰ পশ্চিমাংশৰ সামন্ত ৰজা বুলি ধৰি ল'লেও মনকৰীত প্ৰকাশ পোৱা 'ঢেকেৰিআৰ নাতি' যে ঈশ্বৰ ঘোষৰে বংশধৰ আছিল তাৰ কোনো প্ৰমাণ নাই ।[২] তদুপৰি এটা কথা সহজে অনুমান কৰিব পাৰি যে মনকৰ যদি 'ঢেকেৰিয়া' ৰজাৰ নাতি হ'লহেঁতেন, তেতিয়াহলে তেওঁ কেতিয়াও কমতা ৰজাক বন্দনা নকৰিলেহেঁতেন । 'ঢেক' শব্দৰ ( অৰ্থাৎ ৰাগ-ৰাগিনী) বিশেষণ বাচক ৰূপ হ'ল ঢেকেৰীয়া । যি জনে ঢেক দিয়ে বা ৰাগ টানে অৰ্থাৎ ৰাগ-ৰাগিনী প্ৰয়োগ কৰি গীত -পদ গায় তেওঁক ঢেকেৰীয়া বোলা হয় । মনকৰৰ দৰে তেওঁৰ আতাক বা পিতামহ প্ৰখ্যাত ওজা বা গায়ক হয়তো আছিল । ফলস্বৰূপে তেওঁ জনসমাজত ঢেকেৰীয়া ৰূপে পৰিচিত হৈছিল । মনকৰে হয়তো এই অৰ্থতে নিজকে ঢেকেৰীয়াৰ নাতি বুলি উল্লেখ কৰিব পাৰে । সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে ঢেকেৰীয়া নাতিয়ে মনকৰক বুজাইছে নে নাই সিও সন্দেহৰ বিষয়; কিয়নো পদ্যাংশটোত 'ঢেকেৰীয়াৰ নাতিয়ে'যে কামৰূপৰ কামাখ্যাক বন্দনা কৰা অৰ্থ যেনেকৈ হয়, তেনেকৈ কামৰূপৰ কামাখ্যা আৰু ঢেকেৰীয়াৰ নাতি দুয়োকে বন্দনা কৰা অৰ্থও হব পাৰে । অৰ্থাৎ এটা ক্ৰিয়াৰ দুটা কৰ্ম প্ৰকাশ পাইছে ।[৩] এনেদৰে বিচাৰ কৰি চালে 'ঢেকেৰিআৰ নাতি' কথাষাৰ যে কিছু বিতৰ্কমূলক, সেইটো ওলাই পৰে । আমাৰ মতে , কামৰূপৰ কামাখ্যাৰ লগত 'ঢেকেৰিআৰ নাতি' বুলি তেওঁ কোনো এজন ব্যক্তিক বন্দনা কৰা যেন নালাগে । 'ঢেকেৰিআৰ নাতি ' বাক্যাংশটো কবিৰ আত্মপৰিচয়ৰে ইংগিত সূচক বুলি ধাৰণা হয় ।

কালিৰাম মেধিয়ে মনকৰক দ্বাদশ-ত্ৰয়োদশ শতিকাৰ লোক বুলি মত পোষণ কৰিছে । আনহাতে ভাৰত চন্দ্ৰ দাসে মনকৰক দ্বাদশ শতাব্দীৰ লোক বুলি অনুমান কৰিছে । কিন্তু কবিৰ বৰ্ণনাত

'কামতাইৰ ৰাজা বন্দো ৰাজা জল্পেশ্বৰ ।
একশত মহিষি বন্দো অঠাৰ কুমৰ ।।'

ইয়াৰপৰা মনকৰ যে ৰজা জল্পেশ্বৰৰ ৰাজত্বকালৰ লোক আছিল, এই কথা সহজে অনুমান কৰিব পাৰি । গতিকে কমতাৰ ৰজা 'জল্পেশ্বৰ'ৰ সময় নিৰ্দ্ধাৰিণ কৰিব পাৰিলে মনকৰৰ সময় পোৱা যাব । গুণাভিৰাম বৰুৱাই 'জল্পেশ্বৰ'ক পুৰণি কামৰূপৰ ৰজা বুলি উল্লেখ কৰিছে । উক্ত জল্পেশ্বৰ ৰজাৰ ৰাজধানী 'জল্পেশ্বৰ নগৰে'ই আছিল বৰ্ত্তমানৰ জলপাইগুৰি । তেওঁ শৈৱভক্ত আছিল বাবেই এটি শিৱ মন্দিৰ নিৰ্মাণ কৰাইছিল।[৪] কনকলাল বৰুৱাই 'কামৰূপৰ বুৰঞ্জী'ৰ পৰিশিষ্টত থকা 'জল্পেশ্বৰেই পৃথুৰজা' কথাষাৰ মানি লৈছে । বৰুৱাই ' তবাকত ই-নচিৰি'ত প্ৰকাশ পোৱা বৰ্ণনাক সমৰ্থন কৰি, মহম্মদ বখতিয়াৰক পৰাজিত কৰা বৃতু ৰজাকে পৃথু বা জল্পেশ্বৰ বুলি কৈছে । কালি ৰাম মেধিয়ে বৰুৱাৰ মতকে মানি লৈছে । কিন্তু উক্ত মতবোৰ কিমান দূৰ গ্ৰহণ যোগ্য সেইটো বিচাৰ কৰিব লগীয়া । সত্যেন্দ্ৰনাথ শৰ্মাই 'কামৰূপ বুৰঞ্জী'ৰ পৰিশিষ্টত থকা 'জল্পেশ্বৰেই পৃথু ৰজা' কথাষাৰৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে । যিহেতু বুৰঞ্জীখনৰ বিৱৰণখিনি এজন আধুনিক যুগৰ পণ্ডিতৰ সংগ্ৰহ, সেয়ে তেওঁ উক্ত কথাষাৰৰ ঐতিহাসিক মূল্য দিয়াত আপত্তি কৰিছে ।

'কোচবিহাৰেৰ ইতিহাস' নামৰ গ্ৰন্থত উল্লেখ পোৱা মতে খেন বা খ্যান বংশৰ প্ৰথম ৰজা নীলধ্বজে কমতা ৰাজ্য প্ৰতিষ্ঠা কৰে । উক্ত ৰাজ্যৰ ৰাজধানী আছিল কমতাপুৰ । নীলধ্বজৰ নাতি নীলাম্বৰক খৃঃ ১৪৯৬ চনত হুছেইনচাহে পৰাস্ত কৰাৰ সুযোগতে বিশ্বসিংহই কমতাৰাজ্য প্ৰতিষ্ঠা কৰে ।

গেইট চাহাবৰ মতে ১৬শ শতিকাৰ পৰাই কমতা নামটো ব্যাপক হৈ উঠে। ৰজাসকলে তেওঁলোকৰ ৰাজ্যক বুজাবলৈ কমতা নামটো ব্যৱহাৰ কৰিছিল আৰু উক্ত সময়ৰ পৰাই ৰজা সকলকো কমতা ৰজা বোলা হৈছিল।[৫] কামতেশ্বৰ উপাধি গ্ৰহণ কৰোঁতা বিশ্বসিংহই 'কমতেশ্বৰী' মন্দিৰ নতুনকৈ নিৰ্মাণ কৰি পূজা-অৰ্চনা কৰাৰ কথা 'দৰঙ্গ ৰাজবংশাৱলী'ত পোৱা যায়। উক্ত বিশ্বসিংহই সামন্ত ৰজা ৰূপে প্ৰতিষ্ঠিত হৈ জলপাইগুৰিত এখন নতুন ৰাজ্য পাতিছিল। জলপাইগুৰিৰ বৰ্ত্তমান জমিদাৰ ৰায়কট বংশ এই শিৱসিংহৰ বংশধৰ। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে মনকৰে বন্দনা কৰা কমতা ৰজাজন সম্ভৱতঃ বিশ্বসিংহই। অৰ্থাৎ তেওঁ বিশ্বসিংহকেই জল্লেশ্বৰ আখ্যা দিছে। বিশ্বসিংহৰ অষ্টাদশ গৰাকী ৰাজমহিষী আৰু অষ্টাদশ পুত্ৰৰ উল্লেখ 'দৰঙ্গ ৰাজবংশাৱলী'ত পোৱা যায়। মনকৰৰ ৰচনাতো বিশ্বসিংহৰ অষ্টাদশ পুত্ৰৰ ইংগিত পোৱা যায়। দুৰ্গাবৰেও বিশ্বসিংহৰ অষ্টাদশ পুত্ৰৰ কথা স্বীকাৰ কৰিছে ঃ

'কামতা ঈশ্বৰ বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো অঠৰ কোঁৱৰ ॥'

বিশ্বসিংহৰ পুত্ৰৰ সংখ্যাৰ ক্ষেত্ৰত মনকৰ, দুৰ্গাবৰ আৰু 'দৰঙ্গ ৰাজবংশাৱলী'ৰ মাজত পাৰ্থক্য নাই। সকলোৱে অষ্টাদশ পুত্ৰৰ কথা স্বীকাৰ কৰিছে। কিন্তু পত্নীৰ সংখ্যাৰ ক্ষেত্ৰত পাৰ্থক্য পৰিলক্ষিত হৈছে। মনকৰে ১০০ গৰাকী আৰু দুৰ্গাবৰে ৪৮ গৰাকী পত্নীৰ নাম উল্লেখ কৰিছে। ইয়াৰ বিপৰীতে 'দৰঙ্গ ৰাজবংশাৱলী'ত মাথোন ১৮ গৰাকী পত্নীৰ নাম উল্লেখ হৈছে। এই পৰস্পৰ বিৰোধী উক্তিলৈ দৃষ্টিপাত কৰি সত্যেন্দ্ৰনাথ শৰ্মাই বিশ্ব সিংহৰ প্ৰধান পত্নী ওঠৰ গৰাকী আৰু বাকিখিনি উপপত্নী আছিল বুলি কব খোজে। এনেদৰে বিচাৰ কৰি চালে মনকৰ দুৰ্গাবৰ যে বিশ্বসিংহৰ ৰাজত্বকালৰ কবি সেই কথা স্বীকাৰ কৰিব পাৰি।

মনকৰকৃত খণ্ডিত মনসাদেৱীৰ মাহাত্ম্যসূচক 'মনসা-কাব্য' খনি মুঠ তিনিকুৰি যোল্লটা গীতৰ সমষ্টি আৰু ই তিনিটা খণ্ডত বিভক্ত। ইয়াৰে সৃষ্টিখণ্ডত ১৩ টা, হৰ-গৌৰীৰ বিবাহ খণ্ডত ৪৮টা আৰু পদ্মাৰ জন্ম খণ্ডত ১৫টা গীত সন্নিবিষ্ট হৈছে। সৃষ্টিখণ্ডত সন্নিবিষ্ট হোৱা প্ৰথম আৰু দ্বিতীয় গীতটিৰ বহুকেইশাৰী অসম্পূৰ্ণ। উক্ত খণ্ডতে অন্তৰ্ভুক্ত তৃতীয় গীতটিৰ 'ধ্ৰুং' অংশটিও কিছু অসম্পূৰ্ণ। কাব্যখনৰ দ্বিতীয় খণ্ডটি সম্পূৰ্ণ ৰূপত পোৱা গৈছে। বাকী তৃতীয় খণ্ডটিৰ শেষৰ গীতটি অসম্পূৰ্ণ। সম্পাদকদ্বয়ে কাব্যখনৰ শেষৰ পাতকেইটা নথকাত কাব্যখন অসম্পূৰ্ণ অৱস্থাত ৰৈ গৈছে বুলি উল্লেখ কৰিছে। আধুনিক সমালোচকসকলে কাব্যখনক 'মনসা পুৰাণ', 'পদ্মা পুৰাণ', 'মনসা-কাব্য' আদি আখ্যা দিয়াৰ বিপৰীতে কাব্যকাৰে তেওঁৰ কাব্যখনক 'পদুমাইৰগীত' (মনকৰে ৰচিলেক পদুমাইৰ গীত), 'শ্ৰাৱনেৰ গীত' (মনকৰে ৰচিলেক শ্ৰৱনেৰ গীত) আৰু 'পাঞ্চালি' (মনকৰে ৰচিলেক বিহৰ পাঞ্চালি) বুলিহে উল্লেখ কৰিছে। এই ফালৰ পৰা কবিয়ে পুথিখনক পুৰাণ বা কাব্য হিচাপে প্ৰতিষ্ঠিত কৰাতকৈ গীত বুলিহে উল্লেখ কৰিছে। তদুপৰি 'গীত' শব্দটোৰ পৌণঃপৌনিকতা মন কৰিবলগীয়া। উক্ত শব্দটি কাব্যখনত অতিকমেও ৮ বাৰ উল্লেখ হোৱালৈ চাই মনকৰৰ ৰচনা বিশেষক 'মনসাৰ গীত' বা 'পদ্মাৱতীৰ গীত' বোলাহে সমীচিন যেন লাগে।[৬] 'পদুমাইৰ পাঞ্চালি', 'শ্ৰাৱনেবগীত' ৰচিলেও কবিয়ে হৰ-গৌৰী, সৰস্বতী আৰু পঞ্চদেৱতাৰ প্ৰতিও শ্ৰদ্ধা নিবেদিছে। আনকি তেওঁ 'সৰ্বতীৰ্থ লোহিত্য বন্দো সপতি সাগৰ' বুলি ব্ৰহ্মপুত্ৰৰ প্ৰতিও শ্ৰদ্ধা জনাইছে। মুখ পৰম্পৰাত চলি অহা মনসা -গীতখিনি কবিয়ে কোনোবা ওজা বা গুৰু গায়কৰ পৰা শিকি সমজুৱাৰ আগত পৰিৱেশন কৰাৰ ইংগিতো শ্ৰদ্ধাৰে বৰ্ণনা কৰিছে।

'গুৰু জনক বন্দিয়া গাইবো গুৰুতে দিয়া চিত।
হাতে তাল জন্ত্ৰ ধৰি নিত্যে সিখাই নিত ॥
সৰ্বজন বন্দিয়া গাইবো গুৰুৰে দুই পাৱ।
তাত পাচে বন্দিয়া গাইবো এসৱ সভাও ॥'

মনকৰৰ 'মনসা- কাব্য'ৰ সৃষ্টিখণ্ডত অনাদি ব্ৰহ্মাৱপৰা ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰৰ জন্ম, বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ লগতে দুৰ্গাৰ জন্ম কথা বৰ্ণনা কৰিছে। ৰামাই পণ্ডিতৰ 'শূন্য -পুৰাণ'কে আদি কৰি ধৰ্ম সাহিত্যৰ সৃষ্টিতত্ত্বৰ লগত মনকৰৰ সৃষ্টিতত্ত্বৰ সাদৃশ্য মনকৰিবলগীয়া। ধৰ্ম সাহিত্যৰ সৃষ্টিতত্ত্ব অনুসৰি সৃষ্টিৰ আদিতে একোৱেই নাছিল। এক বিৰাট মহাশূন্যই আৱৰি থকা পৃথিৱীত সৃষ্টিৰ প্ৰয়াসেৰে ধৰ্ম নিৰঞ্জনৰ আৱিৰ্ভাৱ হ'ল। ধৰ্ম নিৰঞ্জনে জল-স্থল-বাসুকিৰ লগতে গাৰ ঘামৰ পৰা আদ্যাশক্তিৰ সৃষ্টি কৰিলে আৰু উক্ত শক্তিৰ পৰা ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰৰ জন্ম হ'ল। ইয়াৰ পিচত, তপস্যাৰত ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰক ধৰ্ম নিৰঞ্জনে পৰীক্ষা কৰাত শিৱই ধৰ্ম নিৰঞ্জনৰ স্বৰূপ বুজি পাই তেওঁক সন্তুষ্ট কৰে। উক্ত সৃষ্টিতত্ত্বৰ বৰ্ণনাৰ লগত মনকৰৰ সৃষ্টিতত্ত্বৰ হুবহু মিল দেখা যায়। ধৰ্ম সাহিত্যৰ সৃষ্টিতত্ত্বৰ লগত মনকৰীৰ সৃষ্টিতত্ত্বৰ সাদৃশ্য দুটা দিশত পৰিলক্ষিত হৈছে। এটা বিষয়গত আৰু আনটো ভাষাগত। মনকৰীৰ 'হৰৰ আদেশে ব্ৰহ্মা স্ৰজিলা সকল' উক্তিৰ মাজেদি শিৱৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা হৈছে। তদুপৰি 'অৰ্দ্ধ অঙ্গ মহাদেৱ অৰ্দ্ধ অঙ্গ ধৰ্ম' উক্তিৰ দ্বাৰা ধৰ্মদেৱতা আৰু মহাদেৱৰ একত্ব দেখুওৱা হৈছে।

মনকৰৰ দ্বিতীয় খণ্ডটি হ'ল 'হৰ-গৌৰীৰ বিবাহ' খণ্ড। এই খণ্ড হৰগৌৰীৰ বিবাহৰ বিভিন্ন দিশৰ বৰ্ণনাৰে সমৃদ্ধ। সদাশিৱৰদ্বাৰা দুৰ্গাৰ অনুসন্ধান, দুৰ্গাৰ কেশ-বিন্যাস, শিৱৰ ফুলনিত দুৰ্গাৰ প্ৰৱেশ, শিৱ-দুৰ্গাৰ মিলন, শিৱ-দুৰ্গাৰ সম্ভোগ, দুৰ্গাক বিয়া কৰাবলৈ শিৱৰ ইচ্ছা, বস্ত্ৰ-অলংকাৰ আদি লৈ নাৰদৰ দুৰ্গাৰ ওচৰলৈ গমণ, দৰাৰূপে শিৱৰ সাজন-কাঁচন, কন্যা-বেশত দুৰ্গাৰ সাজন-কাঁচন, শিৱ-দুৰ্গাৰ বিবাহ-ইত্যাদি ঘটনা এই খণ্ডত সন্নিবিষ্ট হৈছে। তৃতীয়খণ্ডত হৰৰ পুষ্পবনালৈ যাত্ৰা, পদ্মাৰ জন্ম কাহিনী, ছদ্মবেশিনী দুৰ্গাৰদ্বাৰা হৰমোহন, পৰিচয় নাজানি হৰৰ দ্বাৰা পদ্মাৱতীক সম্ভাষণ ইত্যাদি বৰ্ণনা আছে। মনকৰিবলগীয়া কথা হল মনকৰৰ মনসা কাব্য (এতিয়ালৈকে আৱিষ্কৃত) পদ্মাৰ জন্মতেই শেষ হৈছে। কিন্তু 'সৃষ্টি খণ্ড'ৰ সামৰণিত থকা 'কাঞ্চেৰ মেড়ত পশি ডম্বিৰ লখাই' পদফাঁকিয়ে মনকৰৰ কাব্যৰ কলেৱৰ সন্দৰ্ভত সন্দেহ জনায়। যদিও তেওঁৰ ৰচনাত চান্দো-লখিন্দৰ-বেউলা সম্পৰ্কীয় কাহিনী নাই তথাপি উক্ত পদফাঁকিৰ পৰা তেওঁয়ে বেউলা-লখিন্দৰ কিম্বা চান্দো সম্পৰ্কীয় কাহিনীভাগ লিখিছিল বা লিখিবলৈ মানস কৰিছিল, তাৰ আভাষ পোৱা যায়।□

১। সত্যেন্দ্ৰনাথ শৰ্মা ঃ পুৰণি সাহিত্য অধ্যয়ন, ১৯৮৮ পৃঃ ১২৩
২। ------------------------ উক্ত গ্ৰন্থ, পৃ ১২৩
৩। ------------------------ ঃ উক্ত গ্ৰন্থ, পৃ. ১২৪
৪। গুণাভিৰাম বৰুৱা ঃ আসাম বুৰঞ্জী, ১৯৭২, পৃ. ৩২-৩৩
৫। Edward Gait: A History of Assam, 1967, P: 43.
৬। নবীন চন্দ্ৰ শৰ্মা (সম্পাদনা) পদ্মা- পুৰাণ, ভাটীয়ালী খণ্ড, ১৯৯৩, পৃ. ৩৪৮

□□□

ভ্ৰমণ কাহিনী

# এটি স্মৰণীয় শিক্ষামূলক ভ্ৰমণ

মিচ্ বিউটী মেধী
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

নে দেখাটোক চাবলৈ, নজনাটোক জানিবলৈ মানুহৰ অতীত কালৰেপৰাই অসীম আগ্ৰহ। এই আগ্ৰহ লৈয়ে মানুহে প্ৰাচীন কালৰে পৰা এঠাইৰ পৰা আন এঠাইলৈ ভ্ৰমণ কৰি আহিছে। দবাচলতে মানুহৰ ইতিহাসেই হৈছে এক প্ৰব্ৰজনৰ ইতিহাস। অন্ন-বস্ত্ৰ -বাসস্থান আৰু সুন্দৰ ঠাইৰ সন্ধানত মানুহে প্ৰাচীন কালৰে পৰা আজিলৈকে এঠাইৰ পৰা আন এঠাইলৈ গমণ কৰিবই লাগিছে। সেয়ে মানুহৰ সমাজ জীৱনত প্ৰাগঐতিহাসিক কালৰে পৰা ভ্ৰমণে বিশেষ ভূমিকা পালন কৰি আহিছে। এই ভ্ৰমণৰ পৰা ভ্ৰমণকাৰীৰ বহুতো লাভ হয়। বিশেষকৈ ইয়াৰ ফলত মানুহৰ জ্ঞান আৰু অভিজ্ঞতাৰ বৰ্দ্ধন হয়। এখন অচিনাকি ঠাইৰ ভৌগলিক অৱস্থা, সেই ঠাইত বাস কৰা মানুহবিলাকৰ ভাষা, সাজ-পোচাক, ধৰ্ম, সমাজ ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থা আদি জনাৰ প্ৰতি মানুহৰ যি চিৰন্তন অনুসন্ধিৎসা প্ৰবৃত্তি, সেই অনুসন্ধিৎসা প্ৰবৃত্তিৰ চৰিতাৰ্থ হয়। তেনেকুৱা এটি মন লৈয়েই আমি অৰ্থাৎ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ স্নাতক ২য় বৰ্ষৰ ( বিজ্ঞান শাখা ) "প্ৰাণী বিজ্ঞান বিভাগ'ৰ ফালৰ পৰা এটি শিক্ষামূলক ভ্ৰমণৰ বাবে কলিকতালৈ যোৱাৰ যো-জা কৰিলোঁ। ১৯৯৯ ইং চনৰ ২১ অক্ট'বৰত যথা সময়ত আমি আটায়ে ৰেইলৱে প্লেটফৰ্মত মিলিত হ'লো। আমাৰ মুঠ সদস্য সংখ্যা ৯ জন। আমাৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুঠ ছাত্ৰ-ছাত্ৰী ৬ গৰাকী, আমাৰ তত্বাৱধায়িকা হিচাপে যোৱা নন্দা বাইদেউ ( Head of Deptt. Zoology ) অৰূপ কুমাৰ ( বাইদেউৰ স্বামী ) আৰু বাইদেউৰ একমাত্ৰ ল'ৰা 'বাবু'।

ৰেল অহালৈ আমি অধীৰ আগ্ৰহেৰে বাট চাই আছো। এনেতে আমি থিয় হৈ থকা প্লেটফৰ্মৰ ঠিক সন্মুখৰ ফালে এটি দৃশ্য দেখিবলৈ পালো। মোৰ লগৰবোৰে দৃশ্যটো মন কৰিছিল নে নাই মই নাজানো কিন্তু মোৰ হ'লে সঁচাকৈয়ে খুব দুখ লাগিছিল। মই দেখিলো কেইটামান শিশুৱে প্লেটফৰ্মৰ লেতেৰা ঠাইত বাগৰি খেলা-ধূলা কৰি আছে। তাৰে এটা পঙ্গু। বেচেৰাই চুঁচৰি-চুঁচৰি সিহঁতৰ লগত খেলত ভাগ লৈছে। সিহঁতৰ দেহৰ অৱস্থা একেবাৰে শোচনীয়। কামিহাড় সদৃশ দেহ দেখিলেই বেয়া লাগে। দেহত কাপোৰবুলিবলৈ কোনোবাটোৰ হয়তো এটা ফটা পেণ্ট, কাৰোবাৰ আকৌ তাৰো অভাৱ। এনেতে হঠাৎ এফালৰ পৰা আন এটা শিশুৱে এটুকুৰা ব্ৰেডৰ টুকুৰালৈ সিহঁতৰ ওচৰলৈ আনন্দমনে দৌৰি আহিল। এইবাৰ সিহঁতৰ মাজত আৰম্ভ হ'ল ব্ৰেড টুকুৰা লৈ খোৱা-কামোৰা। সিহঁতৰ অৱস্থা দেখি মোৰ চকু সেমেকি উঠিছিল।

ৰেল পলমকৈ চলি থকা বাবে ৰাতিপুৱা ৮-২০ বজাতহে আমি যাত্ৰা আৰম্ভ কৰিলোঁ। ভ্ৰমণ খুব ভালদৰেই চলিল। আমি গান, আবৃত্তি, কৌতুক আদিৰ মাজেৰে আমাৰ ভ্ৰমণ বেচ আনন্দমুখৰ কৰি তুলিছিলো। ৰেল ৬ ঘণ্টা ৩০ মিনিট পলমকৈ চলি থকা হেতুকে আমি ১২ অক্টোবৰৰ আবেলি ৩ মান বজাতহে অৰ্থাৎ ২৯ ঘণ্টা ২০ মিনিট যাত্ৰাৰ অন্তত 'হাওৰা' ষ্টেচন পালোগৈ। তাৰ পিচত ' অসম ভৱন'লৈ গ'লো আৰু তাত থকাৰ সুব্যৱস্থা কৰিলো। কিছুপৰ জিৰণি লৈ আমি আটায়ে ফুৰিবলৈ ওলাই গ'লো। যিহেতু আমাৰ গধূলি হৈছিল আৰু ভিক্টৰিয়া মেমৰিয়েল বন্ধ হৈছিল, গতিকে সেইদিনালৈ বাহিৰৰ পৰাই চাই আমি কলিকতাত ঘোঁৰা দৌৰ প্ৰতিযোগিতা হোৱা ফিল্ড ( Race Course ) খন চাবলৈ গ'লো। ৰাতি সেই ফিল্ডখন দেখিবলৈ অতি মনোমোহা হয়। কাৰণ তাত সংগীত, শব্দ আৰু পোহৰৰ দ্বাৰা নিয়ন্ত্ৰিত ফোৱাৰা আছে। সন্ধিয়া তাত সন্ধ্যাভ্ৰমণৰ বাবে আৰু এই সংগীত পোহৰৰ অপৰূপ আৰু মনোৰম দৃশ্য উপভোগৰ বাবে বহু লোকৰ সমাগম ঘটে। পিছদিনা ( ২৩ অক্ট'বৰ ) চিৰিয়াখানালৈ ( Zoological Garden) যাত্ৰা আৰাম্ভ কৰিলো। ই কলিকতাৰ আলিপুৰত অৱস্থিত। এইখন ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ পুৰণি আৰু ডাঙৰ Zoological Garden। ইয়াত আন জীৱ-জন্তুৰ লগতে বহুতো লুপ্ত প্ৰায় জীৱ -জন্তুৰ প্ৰজাতি কৃত্ৰিমভাৱে সংৰক্ষণ কৰা হৈছে। গাৰ্ডেন কৰ্তৃপক্ষই এইবোৰৰ কিছুমান কৃত্ৰিম বাসস্থানৰ সৃষ্টি কৰি সংক্ষৰণ কৰাৰ ব্যৱস্থা কৰিছে।

তাত আমি দেখিছিলো বিভিন্ন ধৰণৰ স্তন্যপায়ী প্ৰাণী যেনে- গড়, জেব্ৰা, টাইগন, লিটিগন, সিংহ, বিভিন্ন প্ৰজাতিৰ বাঘ, বিভিন্ন প্ৰজাতিৰ হৰিণ, কেঙ্গাৰু, চিম্পাঞ্জী, নানা ধৰণৰ বান্দৰ আদি। তাৰোপৰি বিভিন্ন প্ৰজাৰি চৰাই আছে। তাৰ ভিতৰত কিৰি, বগা কাউৰী, স্পুন বিল আদি আপুৰুগীয়া চৰাই। সৰীসৃপৰ ভিতৰত আছে পাইথন, ক্ৰেইট, ফেটী সাপ, ঘঁৰিয়াল, কুম্ভীৰ ইত্যাদি।

সেইদিনাই অৰ্থাৎ ২৩ অক্ট'বৰতেই আমি ' Science City ' লৈ গ'লো। কলিকতা পৰ্যটকক আকৰ্ষণ কৰিবলৈ গঢ়ি তোলা সুন্দৰ সুন্দৰ পৰ্যটন কেন্দ্ৰৰ ভিতৰত ইও এটা। ইয়াত আমি পদাৰ্থবিজ্ঞানৰ লগত সংগতি থকা বিভিন্ন ধৰণৰ কাৰু-কাৰ্য্য, লগতে বিভিন্ন ধৰণৰ সা-সজুলি দেখিবলৈ পালো। কিছুমান